সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ০১ সংখ্যা, ২০ পুহ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 01 Date Of Publication - 5 January 2025 Rs.10.00/-

## শীঘ্ৰে মাধ্যমিক শিক্ষাৰ ঠিকাভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ হ'বঃ শিক্ষামন্ত্ৰী





ৰঙিলী বাৰ্ত্তাসেৱা- অতিশীঘ্ৰেই মাধ্যমিক শিক্ষাৰ অধীনস্থ ৮ হাজাৰ ঠিকাভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়াকৰণৰ কৰা হ'ব বুলি স্পষ্ট কৰিলে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। বিগত বৰ্ষত ৰাজ্য চৰকাৰে প্ৰায় ২৫ হাজাৰ ঠিকাভিত্তিক আৰু ষ্টেটপুলৰ শিক্ষকৰ চাকৰি নিয়মীয়া কৰিছিল। এনে শিক্ষকসকলৰ বহুসংখ্যক শিক্ষক নিয়মীয়াকৰণৰ পৰা বৈ যোৱাৰ পিছত পুনৰ এক বিশেষ পদক্ষেপেৰে ৪, ৬৬৯টা নিয়মীয়াকৰণ পদৰ বিপৰীতে ঠিকাভিত্তিক শিক্ষকক নিয়মীয়াকৰণৰ সিদ্ধান্ত লৈছিল। পুনৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনস্থ ৮ হাজাৰ শিক্ষকক নিয়মীয়াকৰণৰ বাবে ৰাজ্য চৰকাৰে আৰম্ভ কৰিব বিশেষ পদক্ষেপ। উল্লেখ্য যে কাহিলিপাৰাস্থিত মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ প্ৰেক্ষাগৃহত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। অসম লোকসেৱা আয়োগৰ দ্বাৰা বাছনিকৃত ১৩ গৰাকীকৈ প্ৰাৰ্থীক ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ অধীনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা ৰূপে নিযুক্তি পত্ৰ বিতৰণ কৰে। ১৩গৰাকী প্ৰাৰ্থীক প্ৰবক্তাৰূপে নিযুক্তি-পত্ৰ প্ৰদান কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে ঠিকাভিত্তিক শিক্ষকৰ পদ নিয়মীয়াকৰণৰ বিষয়টো উল্লেখ কৰে। এই অনুষ্ঠানতে শিক্ষামন্ত্ৰীগৰাকীয়ে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনস্থ ২৬গৰাকী মৃত ঠিকাভিত্তিক অতিৰিক্ত শিক্ষক-শিক্ষয়িত্ৰীৰ পৰিয়ালক ৫ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰে।



(দহ পৃষ্ঠাত চাওক)

## মুম্বাইত টাটা গ্ৰুপৰে বৈঠক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক এডভান্টেজ আছাম ২.০ সন্মিলনৰ প্ৰচাৰৰ বাবে মুম্বাইলৈ যোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টাটা কোম্পানীৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণক সাক্ষাৎ কৰি আগন্তুক 'এডভান্টেজ আছাম ২.০' তথা বিনিয়োগ আৰু ঔদ্যোগিক ক্ষেত্ৰত অসমৰ বৃহৎ সম্ভাৱনীয়তাৰ বিষয়ে মত বিনিময় কৰে। অসমত বিনিয়োগৰ পূৰ্ণ সম্ভাৱনীয়তাৰ বিষয়ে উপস্থাপন কৰি টাটা গ্ৰুপৰ বিভিন্ন কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু প্ৰতিনিধিবৰ্গৰ সৈতে এক ফলপ্ৰসূ বৈঠকত মিলিত হয়। বৈঠকত টাটা গ্ৰুপৰ হৈ টাটা কনজিউমাৰৰ মুখ্য কাৰ্যৰ্যবাহী বিষয়া সুনীল ডিছোজা, টাটা পাৱাৰৰ মুখ্য কাৰ্যবাহী বিষয়া ড° প্ৰবীৰ সিন্‌হা, টাটা ইলেক্ট্ৰনিক্সৰ মুখ্য কাৰ্যবাহী বিষয়া ড° ৰন্ধিৰ ঠাকুৰ, আই এইচ চি এলৰ ই ভি পি সুমা ভেংকটেশ, টাটা ছ'নছৰ জ্যেষ্ঠ উপাধ্যক্ষ সুচাৰিতা চৌধুৰী আৰু টি এছ এম জিৰ অধ্যক্ষ ৰাজ ময়ূৰ শৰ্মা উপস্থিত থাকে। এই মত বিনিময়ৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত আন্তঃগাঁথনি, সেউজ শক্তি, চাহ, ইলেক্ট্ৰনিক্স, ছেমিকণ্ডাক্টৰ, দক্ষতা বিকাশ আদি বিভিন্ন পদক্ষেপৰ বিষয়ে আলোচনা কৰে। এই আলোচনাকালত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ বাবে টাটা গ্ৰুপৰ সম্প্ৰসাৰণ পৰিকল্পনাৰ পৰ্যালোচনা কৰাৰ লগতে অহা ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব লগা এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণত টাটা গ্ৰুপৰ অংশগ্ৰহণ আৰু সক্ৰিয় সহযোগিতা কামনা কৰে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত অসমত অনুষ্ঠিত হ'বলগীয়া 'এডভান্টেজ আছাম ২.০' শীৰ্ষক আন্তঃগাঁথনি আৰু বিনিয়োগ সন্মিলন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে তিনিদিনীয়া ভ্ৰমণসূচীৰে মুম্বাইত ৰোড শ্ব'ত ভাগ ল'বলৈ যোৱা অসমৰ প্ৰতিনিধি দলটোত আছে মুখ্য সচিব ড° ৰবি কোটা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড° কে কে দ্বিবেদী, উদ্যোগ, বাণিজ্য আৰু

(দহ পৃষ্ঠাত চাওক)

## কলেজ শিক্ষক সংস্থাক গুণোৎসৱ বৰ্জন নকৰিবলৈ আহ্বান শিক্ষামন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অহা ৬ ফেব্ৰুৱাৰীৰ পৰা প্ৰথম পৰ্যায়ত অনুষ্ঠিত হ'ব লগা গুণোৎসৱৰ পৰা কলেজ শিক্ষক সন্থা আঁতৰি থকাৰ হুংকাৰ দিয়াৰ মাজতে উচ্চ শিক্ষা সঞ্চালকৰ কাৰ্যালয়ত কলেজ শিক্ষক সন্থাৰ সৈতে আলোচনাত বহিল শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। কলেজ শিক্ষক সন্থাৰ সৈতে অনুষ্ঠিত এই বৈঠকতে পদোন্নতিৰ তালিকাক লৈ সৃষ্টি হোৱা অসন্তুষ্টি সন্দৰ্ভতো বিস্তৃত আলোচনা হয়। এই বৈঠকৰ পাছতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে কলেজ শিক্ষক সন্থাৰ পদোন্নতিৰ প্ৰাপ্য দিনক লৈ যি অসন্তুষ্টি হৈছে সেয়া একেবাৰতে সমাধান কৰিব পৰা নাযায়। বিষয়টো আইনী, বিত্তীয় আৰু পাৰ্ছনেল বিভাগৰ লগত আলোচনা কৰাৰ পাছতহে ইয়াৰ এক সমাধান উলিয়াব পৰা যাব। অৱশ্যে পদোন্নতিৰ তালিকাক লৈ সমস্যা নাই যদিও এই তালিকাৰ সংশোধনীৰ প্ৰয়োজনীয়তা আছে। এই বিষয়টো ইতিমধ্যে কলেজ শিক্ষক সন্থাৰ সৈতে আলোচনা কৰা হৈছে আৰু এইক্ষেত্ৰত যাৱতীয় পদক্ষেপ লোৱা হ'ব। ইফালে আলোচনা সন্দৰ্ভত অসম

(দহ পৃষ্ঠাত চাওক)

# Full Day Seminar (Navchetna) by Siliguri Chapter of The Institute of Company Secretaries of India



Guwahati, RB News- The Siliguri Chapter of EIRC of ICSI successfully conducted a Full-Day Seminar (Navchetna) on Latest Updates on Goods and Services Tax (GST) and Real Estate Regulatory Authority (RERA) on 4th January 2025. The event was held at the Siliguri Chapter premises from 10:00 AM to 5:00 PM. The seminar featured eminent speakers, CA Sudipta Bhattacharjee and CA Hemant Agarwal, who shared their valuable expertise on these pertinent topics, providing insightful updates and discussions. The Siliguri Chapter had the honor to have CS Rupanjana De, Central Council Member, ICSI, and Mentor of the Siliguri Chapter, as well as CS (Dr.) Mohit Shaw, Chairman, EIRC of ICSI, who joined virtually and addressed the participants with their encouraging words. The Welcome Address was delivered by CS Vikash Mittal, Chairman of the Siliguri Chapter. During the inaugural session, CS (Dr.) Pintu Prasad Jaiswal, Vice-Chairman, Siliguri Chapter, gave the Special Address. The dignitaries present on and off the dais had the honor of releasing the 3rd Half-Yearly E-Newsletter of the Siliguri Chapter. The Vote of Thanks for the inaugural session was extended by CS Nitin Gupta, Past Chairman of the Siliguri Chapter.The seminar saw enthusiastic participation from various CS Members, including CS Khushboo Goyal, CS Neerupama Kabra, Past Chairpersons, and CS Amit Kumar Goyal, Treasurer of the Siliguri Chapter, along with a few students. In the spirit of celebrating the New Year, the event concluded with a delightful cake-cutting ceremony for all the participants. The event was seamlessly coordinated by CS Pragya Jaiswal. CS Heena Sharma delivered the formal Vote of Thanks of the Event.

# PPFA urges govt to reopen Lakshminath Bezbarua road




Guwahati, RB News- Expressing dismay over the fate of an important road, named after Assam's pioneer litterateur Sahityasamrat Lakshminath Bezbarua, the Patriotic People's Front Assam (PPFA) urges the concerned authorities to reopen the road connecting Guwahati Railway station with Nehru Park/ Gauhati Town Club point on MG road. The forum of nationalist citizens argues that LNB road should be reorganised for daily use by the commuters as well as heavy vehicles approaching the Reserve Bank of India office, Army Transit Camp and the busiest railway station of the region. It may be mentioned that the GTC point on the north (adjacent to Judges Field and Nehru Park in Panbazar locality), where from various government city buses used ply towards many important locations like Gauhati University, Assam Engineering College, etc till Nineties, was transformed into a food court area sitting over an underground car parking place. For months now the restaurant named Food Villa remains closed and the deserted place has now been converted into a place of antisocial elements to hangout even in daytimes. The parking place under the Guwahati Metropolitan Development Authority continues to be dark and dirty all the time even though many city-based car owners use it regularly. The abandoned food court area and parking space should be demolished and bring back the original road. Otherwise, keeping the parking place intact (of course with proper maintenance) a concrete constriction can be erected so that the commuters and vehicles can easily move from MG road to the station in the south and vice versa," said a statement from the PPFA. The forum lamented that a busy road commemorating Sahityarathi, who authored the State anthem 'O Moar Aponar Desh', inside the prehistoric city was closed for reasons best known to the then administration only and it must be reopened with the help of new technology for public use. It also appealed to State chief minister Dr Himanta Biswa Sarma and urban affairs minister Jayanta Mallabaruah to take the matter seriously and rectify the past error as early as possible.

# অসমৰ প্ৰতিখন বিশ্ববিদ্যালয়ত এখনেই শৈক্ষিক দিনপঞ্জীৰ দাবী




ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ প্ৰতিখন বিশ্ববিদ্যালয়ত এখনেই শৈক্ষিক দিনপঞ্জীয় প্ৰস্তুতৰ বাবে ৰাজ্যপাললৈ এবিভিপিৰ প্ৰস্তাৱ অসমত এক সুস্থ সফল শৈক্ষিক পৰিৱেশ স্থাপনৰ বাবে সমগ্ৰ অসমৰ বিশ্ববিদ্যালয় সমূহত এখনেই শৈক্ষিক দিনপঞ্জী প্ৰস্তুতৰ বাবে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসম প্ৰদেশৰ ৰাজ্যিক কাৰ্যনিৰ্বাহ সভাই প্ৰস্তাৱ গ্ৰহন কৰিছিল। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসম প্ৰদেশৰ এক প্ৰতিনিধি দলে অসমৰ মহামহীম ৰাজ্যপাল শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্য দেৱক সাক্ষাৎ কৰি উক্ত প্ৰস্তাৱটি প্ৰদান কৰে। ৰাজ্যপাল মহোদয়ক সাক্ষাৎ কৰা এবিভিপি অসম প্ৰদেশৰ প্ৰতিনিধি দলটোত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি ৰীতামণি বৈশ্য, ৰাজ্যিক সম্পাদক হেৰম্ভ মহন, ৰাষ্ট্ৰীয় কাৰ্যসমিতি সদস্য মানস প্ৰতীম কলিতা,

(দহ পৃষ্ঠাত চাওক)

# মিৰ্জাত সদৌ অসম আন্তঃজিলা জুনিয়ৰ খো-খো প্ৰতিযোগিতা অনুষ্ঠিত

ৰঙিলী বাৰ্ত্তাসেৱা- অসম খো-খো সন্থাৰ তত্বাৱধানত কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ২২ সংখ্যক সদৌ অসম আন্তঃজিলা জুনিয়ৰ (ল'ৰা-ছোৱালী) খো-খো প্ৰতিযোগিতা অনুষ্ঠিত। দক্ষিণ কামৰূপৰ মিৰ্জাস্থিত গ্ৰাম্য ষ্টেডিয়াম ক্ৰীড়া প্ৰকল্প ফিল্ডত তিনিদিনীয়াকৈ শুক্ৰবাৰৰ পৰাই অসম খো-খো সন্থাৰ তত্বাৱধানত কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ল'ৰা-ছোৱালী উভয় শাখাত ২২ সংখ্যক আন্তঃজিলা জুনিয়ৰ খো-খো খেল প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰা হয়। খো-খো খেল প্ৰতিযোগিতা অনুষ্ঠিত হিচাপে ৰাতিপুৱাৰ ভাগত অসম খো-খো সন্থাৰ পতাকা উত্তোলন, কামৰূপ জিলা ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন, দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন, অসম সংগীত পৰিবেশন, স্মৃতি তৰ্পণ, মাৰ্চপাষ্ট অভিবাদন, ইয়াৰ পিছতে খেল উদ্বোধন কৰা হয়। অসম খো-খো সন্থাৰ পতাকা উত্তোলন কৰে অসম খো-খো সন্থাৰ সভাপতি ৰাজীৱ প্ৰকাশ বৰুৱাই। কামৰূপ জিলা ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন কৰে কামৰূপ জিলা ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি ডাঃ কাৰ্তিক মেধিয়ে । দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন কৰে দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ সভাপতি তথা ক্ৰীড়া সংগঠক নাৰায়ণ চৌধুৰীদেৱে। স্মৃতি তৰ্পণ কৰে ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি ক্ৰমে তৰুণচন্দ্ৰ মেধি, খৰ্গেশ্বৰ দাস, হেমেন দাস, উপদেষ্টা প্ৰভাত ডেকা, প্ৰবিন চন্দ্ৰ দাস, বলেন চন্দ্ৰ কুমাৰ, মাৰ্চপাষ্ট অভিবাদন কৰে- প্ৰাক্তন ৰাষ্ট্ৰীয় খেলুৱৈ অনিল দাস দেৱে। শপত বাক্য পাঠ কৰে প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় খো-খো খেলুৱৈ সীমান্ত দাস দেৱে। উল্লিখিত উক্ত খো-খো খেল প্ৰতিযোগিতা খনত সৰ্বমুঠ ২২ খন জিলাৰ খেলুৱৈ অংশগ্ৰহণ কৰিব ।

# "২৫ জন গল্পকাৰৰ ২৫ টা গল্প"ৰ সংকলন উন্মোচন




ৰঙিলী বাৰ্ত্তাসেৱা- নতুনৰ আদৰ থাকে, সৃষ্টিত থাকে এক সৌন্দৰ্য। ইংৰাজী নতুন বৰ্ষ ২০২৫ ৰ প্ৰথম দিনাই অসমৰ বিভিন্ন প্ৰান্তৰ ২৫ জন গল্পকাৰৰ ২৫ টা গল্পৰে সমৃদ্ধ গল্প সংকলন" ডিজিটেল মাধ্যমেৰে উন্মোচন কৰা হয়। সু লেখিকা তথা কবি, সাংবাদিক মৃদুস্মিতা শৰ্মাৰ একক আৰু অনন্য প্ৰচেষ্টা আৰু সম্পাদনাত প্ৰকাশিত গল্প সংকলনখন প্ৰতিষ্ঠিত অভিযন্তা ত্ৰিদ্বীপ বৰুৱাৰ নিখুঁত পৰিকল্পনা আৰু অলংকৰণ এক ফচল। পহিলা জানুৱাৰীৰ (নপৃষ্ঠাত চাওক)

# মহানগৰীৰ জলবিষ্ফোৰণ চৰকাৰৰ দুৰ্নীতিৰ পৰিণতি- মনোজ ধানোৱাৰ



ৰঙিলী বাৰ্তাসেৱা- মহানগৰীৰ খাৰঘুলিত পুনৰ জলবিষ্ফোৰণক লৈ সৰৱ হৈছে আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে। আপৰ নেতাগৰাকীয়ে আজি এক প্ৰেছ বিজ্ঞপ্তি যোগে জাইকাৰ পাইপ ফুটি বাৰে বাৰে সংঘটিত হোৱা জলবিষ্ফোৰণক চৰকাৰৰ দুৰ্নীতিৰ পৰিণতি বুলি অভিহিত কৰে। ধানোৱাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি মিত্ৰজোট চৰকাৰে গুৱাহাটীবাসীক বিশুদ্ধ খোৱাপানী যোগান দিয়াত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰি চৰকাৰক (দহ পৃষ্ঠাত চাওক)

# অসম নাট্য সন্মিলনৰ উজানবজাৰ শাখাৰ সভাপতি পদত কৈলাশ শৰ্মা

ৰঙিলী বাৰ্তাসেৱা- আন্তৰ্জাতিক খ্যাতিসম্পন্ন খেলুৱৈ, ৰাজ্যৰ এগৰাকী বিশিষ্ট সাংস্কৃতিক কৰ্মী-সংগঠক, ভাৰত চৰকাৰৰ দ্বাৰা আজাদী কি অমৃত মহোৎসৱৰ সমাজ সেৱা বঁটাপ্ৰাপক, বিশ্বৰ প্ৰথমখন নগৰীয়া মঞ্চ বিহু লতাশিলৰ ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীৰ প্ৰাক্তন সভাপতি- সাধাৰণ সম্পাদক, ঐতিহাসিক কামৰূপ নাট্য সমিতিৰ সদস্য কৈলাশ শৰ্মাক ২০২৫ চনৰ নৱবৰ্ষৰ প্ৰথম দিনটোতে অসমৰ এটা অন্যতম জাতীয় সংগঠন অসম নাট্য সন্মিলনৰ উজানবজাৰ শাখাৰ সভাপতি পদত নাট্য সন্মিলনৰ হৈ উপসভাপতি তথা ৰাষ্ট্ৰপতিৰ দ্বাৰা অসমীয়া বোলছবিৰ বাবে বটাঁ প্ৰাপক, বিশিষ্ট বোলছবি পৰিচালক শিল্পী অৰূপ বৰঠাকুৰে শ্ৰী শ্ৰী উগ্ৰতাৰা দেৱালয় প্ৰাঙ্গণত ১ জানুৱাৰী তাৰিখে হোৱা এক কাৰ্যসূচীত আনুষ্ঠানিক ভাৱে নিযুক্তি দিয়াৰ লগতে এখন ফুলাম গামোচাৰে নাট্য সন্মিলনৰ হৈ কাম কৰি যোৱাৰ বাবে আদৰণী জনায়।

# চানমাৰিৰ ভাৰাঘৰত যুৱতীৰ ৰহস্যজনক মৃত্যু

ৰঙিলী বাৰ্তাসেৱা- নৱবৰ্ষৰ প্ৰথম দিনটোতে মহানগৰীৰ এটা ভাড়াঘৰত চিপ লোৱা অৱস্থাত উদ্ধাৰ হৈছে এগৰাকী যুৱতীৰ মৃতদেহ। চানমাৰিৰ কৰ্ণাচলৰ এটা ভাৰাঘৰত যুৱতীগৰাকীৰ আত্মহত্যাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। চানমাৰিৰ নিজৰাপাৰৰ ব্লুবেল ৰেঙণি দয়াসাগৰ এপাৰ্টমেণ্টৰ চতুৰ্থ মহলাৰ এইচ-৪ ব্লকত ভাৰাতীয় হিচাপে থকা পায়েল শইকীয়া নামৰ যুৱতীগৰাকীয়ে কি কাৰণত আত্মহত্যাৰ দৰে পথ বাছি ল'লে সেয়া এতিয়াও পোহৰলৈ অহা নাই। পায়েলৰ ঘৰ ছাত্ৰীবাৰীত। ঘটনাৰ বিৱৰণী অনুসৰি, কালি পুৱা ৯ মান বজাত মাতৃ দীপ্তি শইকীয়াই পায়েলক ফোন কৰিছিল যদিও কোনো সঁহাৰি পোৱা নাছিল। নিশা পুনৰ মাতৃয়ে পায়েলক ফোন কৰি সঁহাৰি নোপোৱাত সুৰক্ষা কৰ্মীগৰাকীক ভাৰাঘৰৰ দুৱাৰ ভাঙিবলৈ কয়। নিশা প্ৰায় ১ বজাত সুৰক্ষা কৰ্মীগৰাকীয়ে পায়েলৰ ভাৰাঘৰৰ দুৱাৰ ভাঙি ছীপ লৈ থকা অৱস্থাত পায়েলক প্ৰত্যক্ষ কৰে। ঘটনাৰ বিষয়ে সুৰক্ষা কৰ্মীগৰাকীয়ে পায়েলৰ মাতৃৰ লগতে চানমাৰি থানাৰ আৰক্ষীক অৱগত কৰে। ঘটনাস্থলীত চানমাৰি আৰক্ষী উপস্থিত হৈ ঘটনাৰ বুজ লৈ পুৱা দণ্ডাধীশৰ উপস্থিতিত পায়েলৰ



[redacted]

মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ অন্তত পৰিয়ালৰ লোকক গতাই দিয়ে। ঘটনা সন্দৰ্ভত হত্যাৰ সন্দেহত মাতৃয়ে দাখিল কৰা এজাহাৰৰ ভিত্তিত এটা গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# ৫৬খন এচি ইলেক্ট্ৰিক বাছ সেৱাৰ শুভাৰম্ভণি কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই



ৰঙিলী বাৰ্তাসেৱা- ২০২৫ বৰ্ষৰ আৰম্ভণিৰ দিনটোত গুৱাহাটীৰ পৰিবহণ ব্যৱস্থাত নতুন সংযোজন। নতুন বছৰৰ প্ৰথম দিনটোতেই ৫৬খন এচি ইলেক্ট্ৰিক বাছ সেৱাৰ শুভাৰম্ভণি কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। লগতে খানাপাৰাত নৱ-নিৰ্মিত আন্তঃৰাজ্যিক বাছ টাৰ্মিনেলৰ শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। উদ্বোধন কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে জলবায়ু পৰিবৰ্তনৰ প্ৰভাৱ হ্ৰাস কৰি পৰিৱেশ অনুকূল ব্যৱস্থাৰাজিৰ মাজেৰে অসমখন আগুৱাই নিবলৈ অসম চৰকাৰে যি সংকল্প লৈছে তাৰ অংশ হিচাপে এই ইলেক্ট্ৰিক বাছ সেৱা মুকলি কৰা হৈছে। ইতিমধ্যে (দহ পৃষ্ঠাত চাওক)

# চাৰিটা সোণৰ পদক লাভ অসমৰ



ৰঙিলী বাৰ্তাসেৱা- নতুন দিল্লীত সমাপ্ত হোৱা নৱম ৰাষ্ট্ৰীয় লন বল চেম্পিয়নচিপ আৰু পঞ্চম ২৫ বছৰ অনুৰ্ধ লন বল চেম্পিয়নচিপত অসম দলৰ হৈ মহিলাৰ একক শাখাত অৰ্জুন বটাপ্ৰাপ্ত নয়নমনি শইকীয়াই সোণৰ, পুৰুষৰ একক শাখা আৰু ত্ৰিপল শাখাত পুতুল সোনোৱালে সোণ অৰ্জন কৰাৰ উপৰিও দলীয় ত্ৰিপল শাখাত জয়ন্ত শৰ্মা, বিতোপন ৰাভা, পুতুল সোনোৱালে সোণৰ পদক লাভ কৰে। ইয়াৰোপৰি মহিলাৰ দলীয় শাখাত পম্পি বৰুৱা, জীনা বৰুৱাৰ দলে ৰূপৰ, পুৰুষৰ দলীয় শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে। আনহাতে ল'ৰাৰ ২৫ বছৰ অনুৰ্ধ (দহ পৃষ্ঠাত চাওক)

# "এখন আত্মনিৰ্ভৰ, বিকশিত আৰু সমৃদ্ধিশালী ভাৰত গঢ়াৰ বাবে নতুন বছৰটোত সংকল্পবদ্ধ হওঁ আহক": সৰ্বানন্দ সোণোৱাল

ৰঙিলী বাৰ্তাসেৱা- অকণিহঁতৰ সৈতে ইংৰাজী নৱবৰ্ষ ২০২৫ৰ শুভাৰম্ভণি উদযাপন কৰে কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে। ডিব্ৰুগড় স্থিত 'প্ৰেৰণা শিশু গৃহ'ৰ শিশুসকলৰ সৈতে কিছু সুমধুৰ সময় পাৰ কৰে সোণোৱালে। সোণোৱালে কয়, "শিশুসকলৰ নিষ্পাপ আৰু সৰল মনৰ উমাল পৰশত লাভ কৰা অনাবিল আনন্দ আৰু সুখানুভূতিৰ তুলনা একোৰে লগত নহয়! শৰীৰ আৰু মনৰ অফুৰন্ত শক্তিৰে তেওঁলোকে জীৱনৰ বাটত আত্মবিশ্বাসেৰে আগুৱাই সফলতা লাভ কৰক, তাকেই অন্তঃকৰণেৰে কামনা কৰিলোঁ আৰু সদৌটিলৈ নৱবৰ্ষৰ হিয়াভৰা শুভেচ্ছা জনালোঁ।" এই সময়ছোৱাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে ডিব্ৰুগড় পৌৰ নিগমৰ উপ-মেয়ৰ শ্ৰী উজ্জ্বল ফুকন, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য শ্ৰী টংকেশ্বৰ সোণোৱাল, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ শ্ৰী কাজল গোহাঁই, শ্ৰী দীপুৰঞ্জন মাক্ৰাৰী আৰু সতীৰ্থসকল উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, "নৱবৰ্ষ মানেই নতুন আশা, নতুন প্ৰত্যাশা, নতুন সম্ভাৱনা আৰু নতুন উপলব্ধি। ২০২৪ক বিদায় দি ইংৰাজী নৱবৰ্ষ ২০২৫ত উপনীত হোৱাৰ এই উজ্জীৱিত সময়ত প্ৰতিজন নাগৰিকলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। বিগত



২০২৪ বৰ্ষটো আছিল সমগ্ৰ দেশৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ অনিৰুদ্ধ (নপৃষ্ঠাত চাওক)

# প্ৰণয় বৰদলৈৰ গ্ৰন্থ 'হিমালয়ৰ দুৰ্জেয় শিখৰত' উন্মোচন

ৰঙিলী বাৰ্তাসেৱা- ভাৰতবৰ্ষৰ সমগ্ৰ উত্তৰ সীমাজুৰি অতন্দ্ৰ পহৰী দৰে থিয় হৈ থকা গিৰিৰাজ হিমালয়ে যুগ যুগান্তৰৰ পৰা মানৱ সমাজক আকৰ্ষিত কৰি আহিছে। ৰামায়ণ-মহাভাৰতৰ কালৰে পৰা হিমালয় হৈ পৰিছে আধ্যাত্মিকতাৰ পীঠ স্থান স্বৰূপ। এই হিমালয় আজিৰ যুৱ সমাজৰ বাবে হৈ পৰিছে ৰহস্যঘেৰা এক প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানৰ প্ৰতি সঁহাৰি জনাই হিমালয়ৰ অভ্যন্তৰলৈ ধাৱমান হৈছে বিশ্বৰ অগণন লোক। এই আকৰ্ষণৰ তাড়নাত অসমৰ পৰ্বতাৰোহী-সাংবাদিক প্ৰণয় বৰদলৈয়ে হিমালয়ত চলাইছে বহু অভিযান। এনে এক শিহৰণকাৰী ৰোমাঞ্চকৰ অভিজ্ঞতাৰে বৰদলৈয়ে লিখি উলিয়াইছে 'হিমালয়ৰ দুৰ্জেয় শিখৰত' শীৰ্ষক এখন গ্ৰন্থ, যি গ্ৰন্থৰ বিষয়বস্তু অসমীয়া সাহিত্যত ব্যতিক্ৰম। উল্লেখ্য যে, এই গ্ৰন্থখন ১৯৯৫চনত দুঃসাহসিক ক্ৰীড়া সংগঠন এক্সপ্ল'ৰাৰ্ছে গাৰোৱাল হিমালয়ৰ ২১,৩৩৫ ফুট উচ্চতাৰ যোগীন ১ আৰু যোগীন ৩ শিখৰলৈ চলোৱা সফল অভিযানৰ আলম লৈ লিখা হৈছে। ২০০১ চনত বৰদলৈয়ে এই অভিযানক লৈ

(দহ পৃষ্ঠাত চাওক)




# অসম সাহিত্য সভাৰ "আকাশ"ৰ অনুষ্ঠানত প্ৰথমবাৰৰ বাবে নাটক মঞ্চস্থ



ৰঙিলী বাৰ্তাসেৱা-নাৰীক প্ৰাধান্য দি অসমীয়া নাৰীৰ প্ৰতিভা বিকাশৰ বাবে গঠিত অসম সাহিত্য সভাৰ "আকাশ" ৰ অনুষ্ঠানত পোন প্ৰথমবাৰৰ বাবে মঞ্চস্থ হয় এখনি নাৰীবাদী একাংকিকা নাট। দদৰাত অনুষ্ঠিত অসম সাহিত্য সভাৰ "আকাশ"ৰ অনুষ্ঠানত যুৱ নাট্যকাৰ ভাস্কৰ জ্যোতি দাসৰ বিখ্যাত একাংকিকা নাট "শক্তিৰূপা"ই দৰ্শকৰ বিপুল সঁহাৰি লাভ কৰে। নাট্যকাৰৰ নিজৰ পৰিচালনাৰে কামৰূপ জিলা সাহিত্য সভাৰ "আকাশ" উপসমিতিৰ মহিলা সভ্য সকলে নিবেদন কৰা নাট খনিত ভানু চৌধুৰী, দীপাঞ্জলী গোস্বামী, মামনি লহকৰ, অনিতা দাস, ৰীনা দেৱী, গয়া ৰাণী, কনিকা বেজবৰুৱা আৰু সাধনা শৰ্মাই বলিষ্ঠ অভিনয় কৰে। নাটখনিৰ বিখ্যাত সংলাপ "নাৰীক সন্তান জন্ম দিয়া যন্ত্ৰ অথবা সম্ভোগৰ সামগ্ৰী হিচাপে গণ্য কৰাতকৈ সম্ভাৱনাময়ী নতুন প্ৰজন্মৰ দুৱাৰ ডলি হিচাপে গণ্য কৰক।" নাটটিত ৰাইজে বিপুল হাত চাপৰিৰে আদৰণি জনায়।

# পহিলা দিনটোতে জিপি সিঙৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ



ৰঙিলী বাৰ্তাসেৱা-ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোতে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙ(G P Singh)ৰ সহিতে অসম আৰক্ষীৰ এটা সঁজাতি দলে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীক নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা ও শুভ কামনা জ্ঞাপন কৰে। উক্ত সাক্ষাৎকালত মুখ্যমন্ত্ৰীৰ সৈতে এই নতুন বৰ্ষটিত অসমবাসীৰ জনসেৱাত অসম আৰক্ষীৰ ভূমিকাৰ ওপৰত আলোকপাত কৰে।

# সাংসদ গৌৰৱ গগৈয়ে উপস্থিত মাজুলীৰ আউনীআটী সত্ৰত



ৰঙিলী বাৰ্তাসেৱা-সাংসদ গৌৰৱ গগৈয়ে মাজুলীৰ আউনীআটী সত্ৰত উপস্থিত হৈ শ্ৰদ্ধাৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীৰ আশীৰ্বাদ লয়। বছৰৰ অন্তিম দিনটোত তেওঁৰ কাষত উপস্থিত হৈ বিগত দিনবোৰত দি অহা দিহা-পৰামৰ্শ, সহায় আৰু মৰমৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে আৰু অনাগত দিনবোৰতো ৰাইজৰ সেৱা কৰি যাবলৈ তেওঁৰ আশীৰ্বাদ আৰু গঠনমূলক দিহা-পৰামৰ্শ কামনা কৰে। লগতে সাংসদ গগৈয়ে অসমৰ জনগণৰ প্ৰতি তেওঁৰ দায়বদ্ধতা আৰু পিতৃ-মাতৃৰ পৰা পোৱা মূল্যবোধ আৰু সততাৰে ৰাইজৰ সেৱা কৰাৰ ক্ষেত্ৰত তেওঁৰ দৃঢ় সংকল্পৰ কথা পুনৰ দোহাৰে।

# পশ্চিম বংগৰ পৰা ধৰ্মেন্দ্ৰ নাথ হত্যাকাণ্ডৰ চাৰি অভিযুক্তক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্তাসেৱা-ৰাজ্য কঁপোৱা ৰঙিয়াৰ ধৰ্মেন্দ্ৰ নাথ হত্যাকাণ্ডৰ সৈতে জড়িত ৪ অভিযুক্তক আটক কৰিছে আৰক্ষীয়ে। কামৰূপ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কল্যাণ কুমাৰ পাঠকৰ তত্ত্বাৱধানত পশ্চিম বংগৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে চাৰি অভিযুক্তক। ধৃত চাৰি অভিযুক্ত ক্ৰমে অনুপ্ৰয় কলিতা, বিকি লহকৰ, মণি কাকতি আৰু নিতু কলিতা। উল্লেখ্য যে, যোৱা ২৫ ডিচেম্বৰৰ পৰা সন্ধানহীন হৈ আছিল ধৰ্মেন্দ্ৰ নাথ নামৰ যুৱকজন। তেওঁৰ নিৰুদ্দেশ সন্দৰ্ভত আৰক্ষী থানাত দাখিল কৰা হৈছিল এক গোচৰ। তাৰোপৰি ধৰ্মেন্দ্ৰ নাথৰ সন্ধান বিচাৰি স্থানীয় লোকে ৰঙিয়া

(দহ পৃষ্ঠাত চাওক)

# দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ আমবাৰীত ব্ৰহ্মপুত্ৰৰ খহনীয়া পৰিদৰ্শন মন্ত্ৰী পীযুষ হাজৰীকাৰ

ৰঙিলী বাৰ্তাসেৱা- জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকাই দক্ষিণ শালমাৰা-মানকাচৰ জিলা ভ্ৰমণ কৰি জিলাখনৰ আমবাৰী আৰু ঢলুৱামাৰী অঞ্চলত ব্ৰহ্মপুত্ৰৰ এটা সুঁতিয়ে সৃষ্টি কৰা খহনীয়াৰ বুজ লয়। উল্লেখ্য যে এই অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধৰ বাবে জলসম্পদ বিভাগে প্ৰায় ছ কোটি টকাৰ প্ৰকল্প সাজু কৰি তুলিছে। খহনীয়াগ্ৰস্ত অঞ্চলটো নাৰেৰে পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই প্ৰকল্পৰ অধীনত দুই এদিনতে কাম আৰম্ভ কৰা হ'ব। পাছত মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰে হোৱা সাক্ষাতত কয় যে পাৰ্কুপাইন আৰু বাঁহৰ সহায়েৰে আমবাৰীত ১৫০০ মিটাৰ আৰু ঢলুৱামাৰীত ১৫০০ মিটাৰ দৈৰ্ঘ্য সামৰি খহনীয়া প্ৰতিৰোধী কাম কৰাৰ পাছত ভৱিষ্যতে প্ৰায় ডেৰ লাখ বিঘা কৃষিভূমি নৈৰ বুকুৰ পৰা উদ্ধাৰ হোৱাৰ সম্ভাৱনা আছে। পাছত জলসম্পদ মন্ত্ৰীগৰাকীয়ে ধুবুৰী জিলাৰ ফকিৰগঞ্জত উপস্থিত হৈ ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়া অধ্যুষিত অঞ্চল পৰিদৰ্শন কৰে। অঞ্চলটোত এচিয়ান ডেভেলপমেণ্ট বেংকৰ পুঁজিৰে প্ৰায় ৭.৫ কিল'মিটাৰ দৈৰ্ঘ্য সামৰি খহনীয়া প্ৰতিৰোধৰ বাবে পৰৱৰ্তী পৰ্যায়ত স্থায়ী কাম কৰা হ'ব। পৰিদৰ্শনকালত জলসম্পদ বিভাগৰ মন্ত্ৰীগৰাকীয়ে স্থানীয় ৰাইজক আশ্বাস প্ৰদান কৰি কয় যে অঞ্চলটোক খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ বিভাগে শীঘ্ৰে জৰুৰীকালীন কিছু ব্যৱস্থা হাতত ল'ব।



# আত্মজ্ঞানেৰে- মানসিক অস্থিৰতা নিৰাময় কৰক

২০২৫চন নতুন বছৰৰ আগমনে হৈছে সকলোৰে কুশল কামনা কৰিলোঁ। বিষয়টো যথেষ্ঠ গুৰুত্বপূৰ্ণ। মানসিক অস্থিৰতাৰ কাৰণে বহুতো ঘটনা সংঘটিত হৈ আছে। বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত সঘনে কিছুমান অমানৱীয় ঘটনা দেখিবলৈ পাইছোঁ। বাতৰি কাকতখন মেলি ধৰিলেই চকু থৰ হৈ যায়। এয়া কোন দিশে গতি কৰিছে- আধুনিকতাৰ পমখেদি যান্ত্ৰিকতাৰ যুগত মানুহবোৰ যন্ত্ৰৰ দৰেই হৈছে অলপো সময় নাথাকে নিজৰ আত্মীয় সকলৰ লগত কিছুসময় অতিবাহিত কৰিব। সুখ-দুখৰ অনুভুতিবোৰ প্ৰকাশ নকৰাৰ ফলত মনৰ মাজতে থাকি গৈছে। যাৰ ফলত মানসিক অস্থিৰতা বৃদ্ধি পাইছে। নিজৰ বিবেক বিবেচনা বিচাৰ বুদ্ধি কমি আহিছে আন্তৰিকতাৰ বিলুপ্ত হৈ গৈছে।

সকলো জীৱৰ ভিতৰতে মানুহ জীৱ শ্ৰেষ্ঠ হিচাপে ভাল-বেয়া, শুদ্ধ-অশুদ্ধ নিজৰ বিচাৰ বুদ্ধিৰে সমাজত চলিব পাৰে। বাহ্যিক সেই বিচাৰ বুদ্ধি জ্ঞানৰ অন্তৰ্ভুক্ত বুলি ক'ব পাৰো। সেই জ্ঞানৰ পৰিসীমাত মানুহ নিজে সমাজত প্ৰতিষ্ঠিত হয় বুলি আমি অনুভৱ কৰোঁ "আত্মজ্ঞান" অৰ্থাৎ প্ৰজ্ঞাৰ সাধনা মানুহৰ অন্তৰ্নিহিত শক্তি। আত্মজ্ঞানেৰে নিজৰ হৃদয় খন নিৰ্মল হয়। তাৰ পৰাই মানসিক অস্থিৰতা নিৰাময় হয়। কাৰণ



অনামিকা (সংগীতা)কলিতা, গুৱালকুছি

আত্মজ্ঞানেৰে আমি আমাৰ নিজৰ ভিতৰত থকা প্ৰকৃত সত্য উদ্‌ঘাটন কৰিবলৈ সমৰ্থ হওঁ। গতিকে বাহ্যিক জগতত লগত পৰিচালিত হ'বলৈ জ্ঞান লাগে কিন্তু নিজৰ ভিতৰৰ প্ৰকৃতি জয় কৰি এক সন্তুষ্টিৰে জীৱন ধাৰণ কৰিবলৈ আত্মজ্ঞানৰ প্ৰয়োজন। মোৰ প্ৰিয় সাহিত্যিক হোমেন বৰগোহাঞিও ছাৰে "প্ৰজ্ঞাৰ সাধনা"গ্ৰন্থখনত খুব সুন্দৰ কৈ বিশ্লেষণ কৰিছে। পাৰিপাৰ্শ্বিক জীৱনৰ বাতাবৰণত আমি নিজৰ লগতে কেতিয়াবা যুদ্ধ কৰিব লগা হয়। যদি আত্মবিশ্লেষণ কৰিব পাৰি তেতিয়া নিজৰ অন্তৰ্নিহিত শক্তিৰে পৃথিৱীকো জয় কৰিব পাৰি।

# শীত



**বন্দনা চৌধুৰী, নতুন দিল্লী**

হেমন্তৰ হিমসনা দিনৰ পিছত
কুঁৱলীৰ চাদৰ মেৰিয়াই আহে শীত
কুঁচিমুচিকৈ চোতালত বহি আইতাই উম লয়
নাতি-নাতিনীৰ সৈতে
শৈশৱৰ সোণালী স্মৃতিৰ টুকুৰা ছবি
স্মৃতিৰ বৰপেৰাত সাঁচি থওঁ
মনবৰকায়ে বিচাৰি অনা বাহৰ মূঢ়া,
নজনা অচিন গছৰ মূঢ়াৰে
প্ৰকাণ্ড জুইকুৰাৰ চাৰিওফালে
সাধুকথা, ভুতৰ কাহিনী আৰু যে কিমান ৰসাল কাহিনী...!
আইতাৰ সোঁতোৰা পৰা গালত
সোলা দাঁতৰ হাঁহিয়ে চিকমিকাই
অতীত ৰোমন্থন....
মাজে মাজে পোৰা নতুন আলু আৰু মিঠা আলুৰ জুতি
কি যে সুন্দৰ সন্ধিয়া সেই দিনবোৰৰ!
আজি অতীত হৈ ৰ'ল...!
সন্ধিয়াবোৰ এতিয়া নিজৰ নিজৰ মোবাইল ফোনত আবদ্ধ
ককা-আইতাও এতিয়া ঘৰৰ চুকৰ এলাগী বৰপীৰাৰ দৰেই
হুমনিয়াহ বুকুত লৈ নীৰৱে নিজৰ মাজতে ৰ'ল..
কেতিয়াবা কাৰোবাৰ এষাৰি কোমল মাতৰ অপেক্ষাত
নহ'লে হয়তো দুখৰ গভীৰ সাগৰ অথবা বৃদ্ধাশ্ৰমৰ বাসিন্দা...
সকলো আজি যেন শীতৰ কুঁৱলীৰ ধূসৰ ছবি
আমিও যে আধুনিকতাৰ কবলত
এক ফোঁপোলা সংস্কৃতিৰ ৰক্ষক
শীতবোৰ আৰু বেছি উজাই আহি
দুচকুৰ গভীৰত গোট মাৰে বৰফ হৈ...

# নৱবৰ্ষৰ নতুন প্ৰত্যাশা




**কবিতা শৰ্মা, গুৱাহাটী**

কেলেণ্ডাৰৰ পৰা আৰু এটা পাত সৰি পৰিব আজি ৰাতি। আজি ৰাতিৰ পৰাই এটা বছৰৰ ভাৰ সহি থকা কেলেণ্ডাৰখনো অপ্ৰয়োজনীয় হৈ পৰিব....

চকুৰ পলকতে আমাৰ হাতৰ মুঠিৰ পৰা সৰকি গ'ল আৰু এটা বছৰ। আমাৰ জীৱনৰ অগণিত উশাহ-নিশাহ, আমি ধৰি ৰাখিব খোজা অলেখ আনন্দৰ মূহুৰ্ত, জীৱন সংগ্ৰামৰ পাৰ হৈ যাব নোখোজা অলেখ ক্ষণ - এটা মুহূৰ্ততে আমাৰ হাতৰ মুঠিৰ পৰা সৰকি গ'ল। সময়ে যে আমাক এনেকৈ পাছ পেলাই নিজস্ব দুৰন্ত গতিৰে প্ৰবাহিত হৈ আছে, সেই কথাবোৰ বছৰটোৰ মাজত হয়তো কেতিয়াও ভবা নাযায়- বছৰটোৰে মেলানি মাগিবৰ সময়তহে যেন সেই কথাবোৰ অনুভৱ কৰোঁ আৰু আৱেগিক হৈ পৰোঁ। পুৰণি বছৰটোৰে সুখ-দুখ, হাঁহি- কান্দোন যিয়েই বিলাই নাযাৱক কিয়, বছৰটো শেষ হোৱাৰ সময়ত কি যে এক দুখবোধে প্ৰতিবছৰেই মনটোক জোকাৰি যায়... নতুন বছৰ আহিলেই এৰি অহা সময়ৰ পৃষ্ঠাবোৰ খোল খাই এটা এটাকৈ...পোৱা-নোপোৱাৰ, প্ৰাপ্তি -অপ্ৰাপ্তি, আনন্দ-বিষাদ, ন- ন স্বপ্ন আৰু স্বপ্ন ভংগৰ....তাৰ পৰাই আকৌ আৰম্ভ কৰোঁ সময়ক গতিশীল কৰাৰ নতুন সংকল্প। জীৱন জীয়াই থকাৰ হেপাহে মুকলি কৰে নতুন পৃষ্ঠাৰ..

বয়সে জীৱনৰ এনে এক স্থান পোৱাইছেহি যে, পাৰ হৈ যোৱা সময়বোৰ বৰ আপুৰুগীয়া যেন লগা হৈছে। এনে অনুভৱ কৰিব ধৰিছোঁ যেন বছৰবোৰ ঘনে ঘনে গুচি গৈছে। সময় যিমানেই খৰকৈ গৈছে জীৱনলৈ মোহো যেন সিমানেই বাঢ়ি আহিছে। নিজৰ জীৱনৰ সৈতে নিজ-নিজ কৰ্ম স্থানত ব্যস্ত হৈ পৰা আমাৰ সন্তান আৰু লগতে চাৰিওকাষৰ সৰু-সৰু ল'ৰা-ছোৱালীবোৰৰ বয়সোচিত বৃদ্ধি দেখি অনুভৱ কৰো সময়ৰ ক্ষিপ্ৰ গতি...দুবছৰমান আগতে তোলা ফটোখনৰ লগত নিজক তুলনা কৰি চালেই অনুভৱ কৰোঁ সময়ৰ হাতোৰাই আমাক কেনে আঁচোৰ দি থৈ গৈছে। অথচ আমি নজনাকৈয়ে সেই আঁচোৰ কঢ়িয়াই দৈনন্দিন জীৱনত মগ্ন হৈ থাকোঁ।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সকলো ক্ষেত্ৰতে অবিৰত পৰিৱৰ্তন লক্ষ্য কৰিছোঁ। বিশেষকৈ সমাজখনৰ। প্ৰকৃতিৰ নিয়ম অনুসৰি পৰিৱৰ্তন হোৱাটো তেনেই স্বাভাৱিক কথা। সমাজখনৰ উন্নতিৰ বাবে হোৱা পৰিৱৰ্তন আমাৰ সকলোৰে কাম্য। কিন্তু অতি দুৰ্ভাগ্য বশতঃ- বৰ্তমান প্ৰায় প্ৰতিটো দিনে ঠগ-প্ৰবঞ্চনাৰ ঘটনা, হত্যা -লুণ্ঠন, ধৰ্ষিতা নাৰীৰ চিৎকাৰ, পথ দুৰ্ঘটনা, বানে গৰকা মানুহৰ বিননি, খহনীয়া, কৃত্ৰিম বানত মৃত্যু আদি বছৰ জুৰি ঘটা ঘটনাবোৰৰ খবৰে আমাক ব্যথিত কৰি তোলে। আমি শংকিত হওঁ, আতংকিত হওঁ, নিৰাপত্তাহীনতাত ভুগো। তাতোকৈ চিন্তাৰ বিষয় হ'ল- বৰ্তমান সময়ত সততে দেখা দিয়া সমাজখনৰ ভবিষ্যত স্বৰূপ আমাৰ নৱ-প্ৰজন্মৰ দিনে দিনে বাঢ়ি অহা উশৃঙ্খলতা। কৈশোৰৰ অপৰাধৰ ঘটনা দিনক দিনে বৃদ্ধি পাইছে। ইণ্টাৰনেট, ম'বাইলৰ অপব্যৱহাৰ, ড্ৰাগছ, ডেণ্ড্ৰাইত, গুটখা আদিৰ প্ৰতি তীব্ৰ ভাৱে আসক্ত আজিৰ যুৱচাম। যিবোৰ দেখি শুনি আমি ভাবিবলৈ বাধ্য হৈছোঁ যে, বৰ্তমান সময়ত বিশ্বাস, ভালপোৱা, মৰম, প্ৰতিশ্ৰুতি এইবোৰে মৰ্যাদা হেৰুৱাইছে। ৰাজ্যখনৰ ৰাজনৈতিক অস্থিৰতাইও মানুহক বিচলিত কৰে সেই কথাও অনস্বীকাৰ্য। ৰাজ্যখনত সুস্থিৰতা নাথাকিলে ভাল কামৰ আশা কৰিব নোৱাৰি।

তথাপিও আমি আশাবাদী। আমি নিবিচাৰোঁ নতুন প্ৰজন্ম অন্ধবিশ্বাসী, ভাগ্য নিৰ্ভৰ, উৎসৱ-সমৰ্পিত প্ৰাণ, নিজ মাতৃৰ মাত -কথা নেওচা দিব পৰাকৈ নিৰ্বিকাৰ ৰূপে গঢ়ি উঠক। আশা কৰোঁ, সকলোৰে, বিশেষকৈ যুৱ চামে নতুন বছৰটোত সস্তীয়া আবেগ এৰাই চলি নিৰ্মোহ ভাৱে আগলৈ চাবলৈ নিজৰ ভাল লগা, অথচ আনৰো কামত অহা সৃষ্টিশীল কামত নিজকে নিয়োগে কৰে। সকলো উদ্যমী হৈ পৰক। অতীতৰ সমাজ ব্যৱস্থা আৰু বৰ্তমানৰ সমাজ ব্যৱস্থাৰ যথেষ্ট ব্যৱধান থাকিলেও, সামাজিক প্ৰথাসমূহৰ পৰিৱৰ্তন সাধন কৰি প্ৰণালীবদ্ধ ভাবে সমাজখন আগুৱাই নিয়াত কেৱল যুৱ প্ৰজন্মই নহয় আমি সকলোৱে অংশ গ্ৰহণ কৰিব লাগিব।

নতুন বছৰটোৰ প্ৰতি আগৰ দৰে সাংঘাটিক মোহ আজিকালি নাই। এতিয়া দিনকাল বেলেগ হ'ল। চিন্তা-চৰ্চাও বেলেগ হ'ল। আগৰ দৰে উত্তেজনা বা আনন্দ একোৱেই অনুভৱ নকৰোঁ। সাংঘাটিক কিবা পৰিকল্পনা আছে বুলিও কব নোৱাৰি। তথাপিও প্ৰতি বছৰে নিজকে (আঠপৃষ্ঠাত চাওক)

# আৱাহন থিয়েটাৰৰ চলিত বৰ্ষত মঞ্চস্থ হোৱা "মইনা কুশলে আছানে" নাটখন এজন দৰ্শকৰ দৃষ্টিৰে





"মাটিৰ দালালি আৰু মদে কেনেকৈ ঘৰ এখন থানবান কৰে নাটখনত দৃষ্টিগোচৰ কৰা হৈছে। এগৰাকী মাকৰ পুত্ৰৰ বাবে কৰা ত্যাগ সমৰ্পণৰ জীৱন সংগ্ৰামৰ পটভূমিৰ প্ৰক্ষাপটত ৰচিত নাট হৈছে" মইনা কুশলে আছানে "

আৱাহন থিয়েটাৰৰ ২০২৪/২৫ বৰ্ষৰ নাট "মইনা কুশলে আছানে" সাফল্যমণ্ডিত এখন বাস্তৱধৰ্মী সামাজিক, আবেগিক নাট । ইতিমধ্যে এই নাটখনে অসমৰ ৰাইজৰ মন জয় কৰি বিপুল সমাদৰ তথা সঁহাৰি পাবলৈ সক্ষম হৈছে, থিয়েটাৰৰ প্ৰেক্ষাগৃহৰ পৰা দৰ্শক সকলে চকুৰপানী মচি ওলাই আহিছে । মোহময়ী অভিনেত্ৰী প্ৰস্তুতি পৰাশৰৰ বলিষ্ঠ অভিনয়ৰে মুখৰিত নাটখনে সাংসাৰিক, পাৰিবাৰিক আৰু লগতে সমাজৰ কিছুমান আওপুৰণি প্ৰথাক মুখ্য আঘাত কৰে। নাটৰ আৰম্ভণিত দেখুওৱা হৈছে ৮০/৯০ দশকৰ এখন সাধাৰণ ঘৰ য'ত ঘৰৰ মুৰব্বী পিতৃ ঘৰখনৰ সৰ্বেসৰ্বা, তেখেতৰ সিদ্ধান্ত চৰম সিদ্ধান্ত। তেখেতৰ পুত্ৰ গুৱাহাটীত উকিল পঢ়ি আছে আৰু জীয়েক(প্ৰস্তুতি পৰাশৰ) কলেজত ভাল ফলাফল কৰিছে ভৱিষ্যতে উচ্চ শিক্ষা গ্ৰহণ কৰি এগৰাকী অধ্যাপক হোৱাৰ মন । কিন্তু অতীতৰ আওপুৰণি প্ৰথাৰ মেৰপাকত পৰি নিজস্ব সপোনক হোমৰ গুৰিত বিসৰ্জন দি বিয়াত বহিব লগা হ'ল। বিয়া হৈ গুৱাহাটীত বসবাস কৰিব ধৰে। গিৰিয়েক, পুত্ৰ সন্তান সহ তাই নিজস্ব সমাধিস্থ সপোন সমূহ নিজস্ব সন্তান মইনাৰ ভৱিষ্যত সাফল্য হোৱাৰ মাধ্যমেৰে দেখিব ধৰে। কিন্তু নিয়তিৰ খেলা চৰকাৰী চাকৰিত নিয়োজিত গিৰিয়েকে দুষ্টচক্ৰৰ কৱলত পৰি অধিক ধন ঘটাৰ লালসাত মাটিৰ দালালি আৰু মদৰ নিচাহত আসক্ত হয়, যাৰফলত ঘৰখন থানবান হৈ পৰে। গিৰিয়েকক হেৰুওৱাৰ পাছত তাই বহু সংগ্ৰাম আৰু সংঘৰ্ষ কৰি সন্তান মইনাক কিদৰে পঢ়াইশুনাই ডাঙৰদীঘল কৰি সফলতাৰ শীৰ্ষত কৰিও নিসংগ আৰু অকলশৰীয়া হৈ পৰে। নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যই নাটখনৰ দ্বাৰা সমাজৰ বহু গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰিছে। "মইনা কুশলে আছানে" নাটখন সমাজৰ সকলো বৰ্গৰ দৰ্শকৰ বাবে উপভোগ্য এখন আবেগিক মঞ্চ সফল নাট হিচাপে দৰ্শকৰ মাজত জনপ্ৰিয় হবলৈ সক্ষম হৈছে । এজন দৰ্শকৰ দৃষ্টিৰে মই নাটখন উপভোগ কৰি সঁচাকৈ আপ্লুত হ'লো আৰু আশা ৰাখিছোঁ "মইনা কুশলে আছানে" নাটখন চলিত বৰ্ষৰ সৰ্বশ্ৰেষ্ঠ নাট হিচাপে পৰিগণিত হ'ব।

**শৈলেন কুমাৰ, মিৰ্জা**

# কিতাপৰ বৰ্ষ 2025



**বন্দিতা শৰ্মা কন্দলি**

চাওঁতে চাওঁতে আমি 2025 বৰ্ষৰ প্ৰথম সপ্তাহত ভৰি দিলোঁ। পুৰণি বছৰটোক বিদায় দি উলহ মালহেৰে নতুন আশা আৰু উদ্যমেৰে নতুন বছৰটোক আদৰণী জনালোঁ। আমাৰ মাজৰ কাৰোবাৰ যদি এলাহ নামৰ পৰম শত্ৰু জনৰ লগত বন্ধুত্ব আছে তেন্তে নতুন বছৰটোত তেওঁক বিদায় দি নিজকে সুঅভ্যাসেৰে গঢ়ি তুলিম।

আমাৰ বাবে এটা ভাল খবৰ হৈছে এইবছৰটো অৰ্থাৎ 2025 বৰ্ষটো অসম চৰকাৰে অসমৰ বাবে কিতাপৰ বৰ্ষ হিচাপে ঘোষণা কৰিছে। বিদ্যা ধনহে আচল ধন। সেয়ে আমি আজৰি সময়ত যিমান পাৰোঁ কিতাপ পঢ়িবলৈ চেষ্টা কৰিম। গ্ৰন্থমেলা ঠায়ে ঠায়ে চলি আছে। আমি আমাৰ উপযোগী মহৎ লোকৰ জীৱনী, জ্ঞান -বিজ্ঞানৰ কাহিনী, ভ্ৰমণ কাহিনী, সাধুকথা, শিশু উপন্যাস আদি সংগ্ৰহ কৰি পঢ়িব লাগিব। আমি আমাৰ বন্ধু- বান্ধৱীৰ মাজত কোনে কিমান কিতাপ পঢ়িছোঁ তাৰ এটা প্ৰতিযোগিতা পাতিব পাৰোঁ। গ্ৰন্থ অধ্যয়নে আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব। আমি বিদ্যালয় বা আন সামাজিক অনুষ্ঠানত অনুষ্ঠিত কৰা তৰ্ক, আকস্মিক বক্তৃতা, কুইজ, ৰচনা প্ৰতিযোগিতা আদিত নিৰ্ভয়ে অংশ গ্ৰহণ কৰিব পাৰিম।

তাৰোপৰি 2025 সংখ্যাটো বৰ বৈশিষ্ট্যপূৰ্ণ আৰু ৰসাল সংখ্যা।

1) ই এটা পূৰ্ণবৰ্গ সংখ্যা। $45^2=45\times45=2025$ এই বৰ্গ সংখ্যাটো দুটা ভাগত ভাগ কৰি যোগ কৰিলে পুনৰ মুল সংখ্যাটো পাম। অৰ্থাৎ 2025->20+25=45 (মূল সংখ্যা)। এনেদৰে বৰ্গ সংখ্যা এটা ভাগ কৰি যোগ কৰিলে পুনৰ মুল সংখ্যাটো পোৱা সংখ্যা বোৰৰ ধাৰণা ভাৰতীয় গণিতজ্ঞ (মাৰাঠী) ডত্তাট্ৰেয়া ৰামচন্দ্ৰ কেপ্ৰিকাৰে (Dattatreya Ramchandra Kaprekar) আগবঢ়ায়। সেয়ে এনে সংখ্যাক কেপ্ৰিকাৰ সংখ্যা বোলা হয়। উদাহৰণ স্বৰূপে $9^2=81$-->8+1=9, ইয়াত বৰ্গ সংখ্যাটো দুটা ভাগত ভাগ কৰিলে প্ৰতিটো ভাগত এটা অংক বিশিষ্ট সংখ্যা আছে গতিকে 81 সংখ্যাটো হ'ব 1-কেপ্ৰিকাৰ সংখ্যা। 2025 সংখ্যাটো হ'ব 2-কেপ্ৰিকাৰ সংখ্যা।

2) 2025 সংখ্যাটো ইয়াৰ অংক কেইটাৰ যোগফলৰে বিভাজ্য। এনে সংখ্যাক কেপ্ৰিকাৰে 'হৰ্ষদ সংখ্যা' নামেৰে নামাকৰণ কৰিছিল। অৰ্থাৎ 2+0+2+5=9, 2025÷9=225


3)2025 সংখ্যাটো প্ৰথম নটা স্বাভাৱিক সংখ্যাৰ ঘনৰ সমষ্টি। $1^3+2^3+3^3+4^3+5^3+6^3+7^3+8^3+9^3=2025$

4)2025 সংখ্যাটো তিনিটা সংখ্যাৰ বৰ্গৰ সমষ্টি $40^2+20^2+5^2=2025$, আকৌ $5^2\times9^2=2025$, $3^2\times15^2=2025$

5) প্ৰথম n টা অযুগ্ম সংখ্যাৰ সমষ্টি $n^2$। প্ৰথম 45 টা অযুগ্ম সংখ্যাৰ সমষ্টি হ'ব 2025। অৰ্থাৎ 1+3+5+.....89=2025

সচাঁকৈয়ে 2025 সংখ্যাটো ৰসাল নহয় নে বাৰু ! কেৱল আমি সময়ৰ সদ ব্যৱহাৰ কৰি আগুৱাই যাব লাগে।

# জীৱনৰ ৰঙ



**ৰাজলক্ষ্মী বৰঠাকুৰ,দেৰগাঁও**

ৰঙা সেন্দুৰেৰে বোলোৱা কপাল খনি
তাইৰ আজি উকা হৈ গ'ল
আবিৰ সনা দুচকুত চকু পানী বোৰে
কৰাল বান্ধিলে ।
আৰু তাইৰ দেহৰ ৰঙীন সাজযোৰ সুলুকাই
কোনোবাই বগা সাজ যোৰ পিন্ধাই দিলে ।
শিল পৰা কপৌ হৈ তাই মাথোঁ চাই আছে
শীতৰ হাড় কপোৱা ঠাণ্ডাত
চোতালত শুই আছে তাইৰ বুকুৰ কুটুম।
গাত ঢাকি থোৱা আছে এখনি বগা চাদৰ
ডেউকা ভগা চৰাই জনীৰ দৰে
বহি আছে তাই
পাৰিব যানো তাইৰ সপোনৰ ৰঙ বোৰ
ঘূৰাই আনিব
জীৱনটো আৰম্ভণি হৈছিলেহে মাথোঁ
নিষ্ঠুৰ নিয়তিয়ে আহি তাইৰ
জীৱনৰ সকলো সুখ কাঢ়ি নিলে
কোনোবাই আহি তাইৰ চাদৰৰ আচলত ধৰি
টনা দেখি পাচলৈ ঘূৰি চাই দেখে তাইৰ কণ মানি বুকুৰ জিউ জনি।
তাইক বুকুত সাবটি ধৰি
তাই হেঁপাহ পলুৱাই কান্দিলে
এতিয়া তাইয়ে তাইৰ আশা ভৰষাৰ থল
জীৱনৰ ৰঙ তুলিকাৰে ৰঙীন কৈ আঁকি লোৱা কেনভাচ খনিত
কোনোবাই যেন আহি কলা ৰঙ চতিয়াই দিলে।

জনতাৰ চৰকাৰ | my GOV

অসম চৰকাৰ

খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

## খাদ্য সুৰক্ষা সুনিশ্চিতকৰণেৰে চৰকাৰৰ অভিনৱ জনমুখী প্ৰয়াস

জানুৱাৰী- ২০২৫ত

# অন্ন সেৱা দিন

**১-১০ জানুৱাৰী ২০২৫**



এই বিশেষ দিনকেইটাত

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত

প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীৰ বাবে

- **৩৫** কিঃগ্ৰাঃ চাউল — অন্ত্যোদয় অন্ন যোজনা (AAY)ৰ প্ৰতিমাহে, প্ৰতি পৰিয়াললৈ
- **৫** কিঃগ্ৰাঃ চাউল — অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল (PHH)ৰ প্ৰতিমাহে, প্ৰতিগৰাকী হিতাধিকাৰীলৈ

প্ৰদান কৰা হ'ব

**JANASANYOG- 3734/24/5-Jan-25**

ডিচেম্বৰ-২০২৪ত নতুনকৈ ৰেচন কাৰ্ডপ্ৰাপ্ত সমূহ পৰিয়াল তথা সকলো নতুন হিতাধিকাৰীক সামৰি

- মুঠ পৰিয়াল **৭০,৫৯,০৪৮টা**
- মুঠ হিতাধিকাৰী **২,৪৫,৩৩,৪৪৫গৰাকী**

কোনো হিতাধিকাৰীয়ে সঠিক পৰিমাণৰ চাউল নাপালে

১৮০০-৩৪৫-৩৬১১ | ১৯৬৭ টোল ফ্ৰী নম্বৰত পুৱা ৯:০০ বজাৰ পৰা সন্ধিয়া ৬:০০ বজালৈ যোগাযোগ কৰিব পাৰিব

### গ্ৰাহকলৈ আমাৰ আহ্বান

- এই বিশেষ দিনকেইটাত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰক
- লাভ কৰা চাউলৰ বিপৰীতে e-POS মেচিন সৃষ্ট ৰচিদ সংগ্ৰহ কৰক

### সুলভ মূল্যৰ দোকানীৰ কৰণীয়

- অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰেৰে হিতাধিকাৰীসকলক বাধ্যতামূলকভাৱে অৱগত কৰোৱা
- অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৱাকৈ দোকান খোলা ৰখা
- হিতাধিকাৰীসকলৰ প্ৰাপ্য চাউল 'অন্ন সেৱা দিন'ত সম্পূৰ্ণ বিতৰণ সুনিশ্চিত কৰা
- হিতাধিকাৰীয়ে লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিনৰ ৰচিদ (Receipt) প্ৰদান কৰা

আবণ্টিত মুঠ বিনামূলীয়া চাউল

**১,৩৫,১৩৫.৪১ মেট্ৰিকটন**

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি বাটছএপ কৰক

# ছবি চাই ভালপোৱা মানুহ



**জ্যোতি খাটনিয়াৰ**

ভাবি ভাল লাগে যে লিখিবলৈ বা পঢ়িবলৈ আৰম্ভ কৰাৰ আগেয়ে মানুহে ছবি আঁকিবলৈ শিকিছিল। অৰ্থাৎ, ছবি আছিল মানুহৰ আত্মাৰ একেবাৰে আদিমতম প্ৰকাশ। প্ৰশ্ন হয়ঃ এই ছবিবোৰ মানুহে ক'ত আৰু কিয় আঁকিছিল? দিনটো চিকাৰ কৰি ঘূৰি অহাৰ পাছত, গুহাৰ বাহিৰত জুই ধৰি মানুহে সেই চিকাৰ জুইত পুৰি খোৱাৰ প্ৰস্তুতি চলাইছিল। নিশ্চয় চিকাৰ বিচাৰি সেই মানুহখিনি দল বান্ধি গৈছিল। ইতিহাসবিদ গৰ্ডন চাইল্ডৰ মতে সেই সময়ত কোনো অঞ্চলত ষাঠীজনৰ অধিক মানুহ নাছিল। বনৰীয়া জন্তুক চিকাৰ কৰা সহজ নাছিল। ঘূৰি আহোঁতে মানুহখিনি ভাগৰুৱা হৈছিল। গুহাৰ বাহিৰত জুই ধৰি মানুহে খাদ্যবস্তু সেকিছিল। এই কামটোত মানুহৰ সময় লাগিছিল। তাৰ মাজতে কোনোবা মানুহৰ মনত দিনটো পাৰ হৈ যোৱা কথাবোৰে বাৰে বাৰে ভুমুকি মাৰি থাকিছিল। সেইবাবে গুহাৰ ভিতৰলৈ গৈ তেওঁলোকে গুহাৰ দেৱালত ছবি আঁকি ৰাখিছিল। এই ছবিবোৰত জীৱ জন্তুৰ উপস্থিতিয়ে আছিল সৰ্বাধিক। ক'ৰবাত এই জীৱ জন্তু দৌৰ মাৰিছিল। কৰবাত দেখা গৈছিল অকল মানুহৰ হাতৰ চাপ। আপোনাৰ -মোৰ, তুমি -তেওঁৰ সেই বহু পুৰণি দেউতাক মাকবোৰে মনত কি ভাবিছিল, এই গুহা চিত্ৰবোৰে আমাক আজি সোঁৱৰাই দিছে। ই আমাক জনাই গৈছে মানুহৰ সৃষ্টিশীলতাৰ আদিম পুৰাৰ খবৰ। ই আমাক জনাই গৈছে মানুহৰ আধ্যাত্মিক প্ৰয়োজনীয়তাৰ প্ৰাচীন বতৰা। ই আমাক জনাই গৈছে সভ্যতাৰ ফেহুঁজালিত বিচৰণ কৰা সেই মানুহখিনিৰ আবেগ অনুভূতিৰ খবৰ। ইণ্ডোনেছিয়াৰ দক্ষিণ অঞ্চলৰ চুলাৱেচি দ্বীপৰ গুহাত, আজিৰ পৰা ৪৫ হেজাৰ বছৰৰো আগৰ এটা গাহৰিৰ ছবি পোৱা গৈছিল। কোৱা হৈছে ই আমাৰ পূৰ্বপুৰুষসকলৰ শিল্পী সুলভ মনটোৰ আদিমতম পৰিচয়। অৱশ্যে আন এটা তথ্যই দেখুৱাইছে যে ৬৪ হেজাৰ বছৰৰো আগেয়ে হয়তো মানুহে আঁকিছিল। এই মানুহখিনি আছিল অতি পুৰণা। স্পেইনৰ প্ৰাচীন গুহাত পোৱা এই ছবি আঁকিছিল নিয়েণ্ডাৰথেল মানৱে। সেই সময়ত ইউৰোপত আধুনিক মানুহ উপস্থিত হোৱাই নাছিল। মানুহৰ মনৰ এই ছবি অঁকাৰ পৰিক্ৰমা আজিলৈকে চলি আছে। ছাহাৰাৰ দৰে মৰুভূমিৰ গুহাতো ( Cape of Beast, Libyan Desert) মৰমলগা জীৱ জন্তু আৰু তাৰ মাজে মাজে আমাৰ পূৰ্বপুৰুষ সকলৰ ছবি সিঁচৰতি হৈ আছে। কেইবাটাও কথা এই গুহা চিত্ৰবোৰে আমাক জনাই থৈ গৈছে। প্ৰথম কথা, ছবি আমাৰ অস্তিত্বৰ এক মৌলিক দিশ। বহুতৰ মতে গুহাৰ বাহিৰত জুই ধৰি মানুহে গল্প গুজৱ কৰি থকাৰ সময়ত একাংশ মহিলাই হাতত জোৰ লৈ গুহাৰ ভিতৰৰ এই ছবিবোৰ আঁকিছিল। কিছুমান ক্ষেত্ৰত এই ছবিবোৰ *(বাৰপৃষ্ঠাত চাওক)*

# নৱবৰ্ষৰ নতুন প্ৰত্যাশা

কিছুমান প্ৰতিশ্ৰুতি দিও। যেনে- বছৰটোত ভাল -ভাল কিতাপ কেইখন মান পঢ়া, লিখা-মেলাত মনোযোগ দিয়া, পুৱা- গধুলী সঙ্গীত চৰ্চা কৰা, স্বাস্থ্যৰ বাবে হানিকাৰক খাদ্য পৰিহাৰ কৰা, সদায় ব্যায়াম কৰা, গছ পুলি কেইটামান ৰুৱা ইত্যাদি। যিমান পাৰোঁ সেই প্ৰতিশ্ৰুতি বোৰ মানি চলিবও চেষ্টা কৰোঁ- যদিও বছৰৰ শেষত দেখো নানান কাৰণত সেইবোৰ আখৰে আখৰে পালন কৰিব নোৱাৰিলোঁ। কিন্তু যিখিনি কৰিলোঁ, সেইখিনিৰে মোৰ জীৱন ধাৰণ প্ৰণালীত কিছু হলেও উত্তৰণ ঘটিল।

আমি "ভাল" বা "বেয়া" বুলি ভৱা আমাৰ জীৱনৰ ঘটনা বা পৰিঘটনাবোৰে আচলতে আমাক সমৃদ্ধহে কৰি থৈ যায়। বেয়া ঘটনাবোৰে আমাক সহনশীল কৰি জীৱনটোক স্পৰ্শ কৰি চোৱাৰ সুযোগ দি আমাৰ জীৱনবোধক চহকী কৰে, ভাল বোৰে আমাৰ জীৱনৰ পৰিপূৰ্ণতা আনে। জীৱনত কি ঘটনা বা পৰিঘটনা ঘটিব সেই কথা আমাৰ হাতত নাথাকে। কিন্তু নিজৰ উত্তৰণ ঘটোৱাৰ প্ৰচেষ্টা সদায় আমাৰ হাততে থাকে। সেয়েহে নতুন বছৰৰ প্ৰতিটো দিনত নিজৰ বাবে অলপ সময় আচুতীয়াকৈ ৰাখি সেই সময় খিনি কেৱল নিজৰ বাবে ব্যৱহাৰ কৰো আহক। তেতিয়া আমাৰ ব্যক্তিত্ব, আমাৰ চিন্তাচৰ্চা আৰু আমাৰ জীৱনশৈলীৰ উত্তৰণ হোৱাটো নিশ্চিত। যেনেকৈ আমাৰ পৰিয়াল, আমাৰ সন্তান, আত্মীয়স্বজন, বন্ধু-বান্ধৱী এই সকলোৰে প্ৰতি আমাৰ প্ৰেম আছে, ঠিক তেনেকৈয়ে নিজৰ প্ৰতিও আমাৰ প্ৰেম থকাতো বা নিজকো গুৰুত্ব দিয়াটো অত্যন্ত জৰুৰী। কাৰণ আমাৰ নিজৰ উত্তৰণৰ লগতহে আমাৰ পাৰিপাৰ্শ্বিক সকলোৰে উত্তৰণ সম্ভৱ।

সময় মহা মূল্যবান। ই কাৰো বাবে ৰৈ নাথাকে। নৱবৰ্ষই আমাক এই সকীয়নিকে দিয়ে। স্বামী বিবেকানন্দই কৈ গৈছিল- "সময়ৰ জোখ কামতহে, ঘড়ীৰ কাঁটা কেইডালত নহয়।"

এই কথাশাৰী সাৰোগত কৰি কৰ্মৰত হ'লে, নৱবৰ্ষই দি যোৱা উপহাৰবোৰৰ প্ৰতি আমি কৃতজ্ঞ হব পাৰিম, লগতে দুৰ্ঘটনা বোৰৰ পৰা আমি শিক্ষাও লব পাৰিম। ইয়াকে নকৰিলে অহা নৱবৰ্ষত আমি আক্ষেপ কৰাৰ বাহিৰে একো নাথাকিব। মাছে - মঙহে দকচি খাই, ডাঙৰকৈ মিউজিক বজাই বা ফটকা ফুটাই নৱবৰ্ষক আদৰিলেই নতুন বছৰটো ৰঙীন হৈ নপৰে। এই উদ্যম আমি কৰ্মৰে কৰি দেখুৱাব লাগিব। ২০২৪ বৰ্ষত আমি ৰাজনীতি, শিল্প, ক্ৰীড়া, সাংস্কৃতিক এই সকলো ক্ষেত্ৰৰে বহুকেইজন পুৰোধা ব্যক্তিক হেৰুৱালোঁ। সেয়া আমাৰ সমগ্ৰ দেশবাসীৰ বাবে এক অপূৰণীয় ক্ষতি। তেওঁলোকৰ সেই শূণ্য স্থান পূৰাব নোৱাৰিলেও তেওঁলোকৰ পদাঙ্ক অনুসৰণ কৰি নিজৰ ক্ষেত্ৰত আগবাঢ়ি যাব পৰাকৈ আমি কৰ্মোদ্যমী হোৱাতো নিশ্চয় আশা কৰিব পাৰি।

আশা কৰিছোঁ মানুহৰ মনৰ অসন্তুষ্টি দূৰ হওক। আৰ্থ -সামাজিক জীৱন পূৰ্বতকৈ বিকশিত হওক। মানুহৰ মাজত সমন্বয়, বন্ধুত্ব, আৰু স্নেহৰ সম্পৰ্ক গঢ়ি উঠক, দুখ-যন্ত্ৰণা আঁতৰি যাওক নতুন বছৰটো সকলোৰে বাবে আনন্দময় আৰু মঙ্গলময় হওক তাৰেই কামনা কৰিলোঁ। সকলোকে নতুন বছৰৰ শুভ কামনা জনালোঁ। স্বাগতম ২০২৫...

# আশাত্মক



**সংগীতা ডেকা, ৰঙিয়া**

মৃত্যু এদিন আহিব  
হয়, সঁচা সেয়া  
কিন্তু, জীৱন!  
জীৱন যে প্ৰতি পল  
প্ৰতি ক্ষণেই  
দুচকুত ধৰা দিয়ে...  
মাথোঁ, বিচাৰি  
চোৱাৰ  
ইচ্ছা লাগে  
প্ৰচেষ্টা লাগে  
সাহস লাগে  
কষ্টকৰ যদিও,  
এয়া, অসম্ভৱো তো নহয়!

# পুৰণিৰ মাজেৰে নতুন দিনলৈ



**মানসী মিশ্ৰ**

সময়বোৰো যে আৰু  
চাওঁতেই দেখোন পুৰণি হয়  
সেইদিনা যেন লাগি থকা  
সময়বোৰ নোহোৱা হয়  
সৌ সেইদিনা যে নিশা হওঁতেই  
নিয়ন লাইটৰ পোহৰত ৰঙা নীলা  
পোহৰেৰে আতচবাজী ফুটিছিল  
ঢাকি ধৰা ডাঠকুঁৱলীৰ মাজত  
আমি ধৰা সেই জুইকুৰা  
বৰ ৰঙাকৈয়ে জ্বলি উঠিছিল  
ক'ত যে খিলখিল আনন্দৰ হাঁহি  
জুইৰ উমাল উত্তাপত মিলিছিল  
ঠুনুক ঠানাক শব্দৰ সেই অলেখ  
নতুন দিনৰ শুভকামনাৰে মন ভৰিছিল  
এনেকৈয়ে দেখোন প্ৰতিটো ছেকেণ্ডৰ  
ভাল লগাবোৰ পুৰণি হৈ গৈছিল  
এৰা, আকৌ এনেকৈয়ে ঠিক এনেকৈয়ে  
নিশা বাৰ বজাৰ লগে লগে  
নতুন দিনৰ নতুন শুভকামনাবোৰ  
এমোকোৰা হাঁহিৰে আকৌ হাঁহিছিল।

# বিশ্ববিজেতা শৰীৰচৰ্চাবিদ, প্ৰাক্তন ছাত্ৰ পৱিত্ৰ নাথক মাজুলী মহাবিদ্যালয়ৰ বিপুল সম্বৰ্ধনা



ৰঙিলী বাৰ্তাসেৱা- অলপতে মালদ্বীপত অনুষ্ঠিত বিশ্ব দেহশ্ৰী প্ৰতিযোগিতাত স্বৰ্ণজয়ী শৰীৰচৰ্চাবিদ, ভাৰত গৌৰৱ, মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ পৱিত্ৰ নাথক মাজুলী মহাবিদ্যালয়ে বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। অত্যন্ত ব্যস্ত শৰীৰচৰ্চাবিদ পৱিত্ৰ নাথে দুদিনীয়া সূচীৰে মাজুলীলৈ অহাৰ খবৰ পাই মহাবিদ্যালয়ৰ তৰফৰ পৰা আমন্ত্ৰণ কৰা হয়। দিনৰ ১১ বজাত শৰীৰচৰ্চাবিদ গৰাকী আহি মহাবিদ্যালয়ৰ প্ৰবেশদ্বাৰ উপস্থিত হোৱাৰ লগে লগেই মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি সুনীল দাও প্ৰমুখ্যে বিভিন্ন বিভাগৰ সম্পাদক তথা শিক্ষাৰ্থীসকলে আদৰণি জনাই অধ্যক্ষৰ কক্ষলৈ আগবঢ়াই নিয়ে। ইয়াৰ পাছতে অধ্যক্ষৰ কক্ষত আয়োজিত বিশেষ সম্বৰ্ধনা অনুষ্ঠানত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই মহাবিদ্যালয় পৰিয়ালৰ হৈ প্ৰাক্তন কৃতী ছাত্ৰ পৱিত্ৰ নাথক অংগ বস্ত্ৰ আৰু উপহাৰ টোপোলাৰে সম্বৰ্ধনা জনায়। নিজ শিক্ষানুষ্ঠানখনত উপস্থিত হৈ আবেগবিহ্বল হৈ পৰে শৰীৰচৰ্চাবিদগৰাকী। উপস্থিত সুধীসমাজ তথা শিক্ষাৰ্থীসকলক সম্বোধন কৰি শৰীৰচৰ্চাবিদ গৰাকীয়ে কয় যে তেওঁৰ জীৱনৰ সফলতাত মাজুলী মহাবিদ্যালয়ৰ অৱদানৰ কথা কেতিয়াও পাহৰিব নোৱাৰে। শিক্ষাৰ্থীসকলক উদ্দেশ্যি মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীজনে কয় সকলোৰে নিজৰ মাজতে জীৱনত কৃতকাৰ্যতা লাভৰ সকলো উপাদান নিহিত হৈ থাকে। মাথোঁ সেইখিনি কৰ্ষণ কৰিবৰ বাবে প্ৰয়োজন হয় একাগ্ৰতাৰ। ঘড়ী বা মোবাইলৰ এলাৰ্মত সাৰ পোৱাতকৈ নিজৰ বিবেক আৰু আগ্ৰহৰ তাড়নাত সাৰ পোৱাসকলেহে জীৱনত সফলতাৰ মুখ দেখিবলৈ সক্ষম হয়। সভাৰ সঞ্চালকৰ মন্তব্যত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই কয়, মাজুলী মহাবিদ্যালয়ৰ পৰা ওলাই গৈ বিশ্ব জয় কৰিবলৈ সক্ষম হোৱা পৱিত্ৰ নাথৰ আপোচবিহীন সাধনাৰ উদাহৰণ শিক্ষাৰ্থীসকলৰ পাথেয় হোৱা উচিত। সম্বৰ্ধনা অনুষ্ঠানত মাজুলী জিলা শৰীৰ চৰ্চা সংস্থাৰ সভাপতি উৎপল বৰুৱা, কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপদেষ্টা অধ্যাপক দীনেশ পেগু, অধ্যাপিকা প্ৰণীতা ৰাজখোৱা, জ্যেষ্ঠ সাংবাদিক ডিম্বেশ্বৰ দত্ত, পৱিত্ৰ নাথৰ মাতৃ জ্যোতি নাথ, জিতেন নাথ, ছাত্ৰ একতা সভাৰ সভাপতি প্ৰমুখ্যে বিভাগীয় সম্পাদকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকি মাজুলীৰ গৌৰৱ পৱিত্ৰ নাথক অভিনন্দন জনায়।

# ড্ৰেছিং ৰুমৰ বিতৰ্কক লৈ মৌনতা ভংগ প্ৰশিক্ষক গৌতম গম্ভীৰৰ




ৰঙিলী বাৰ্তাসেৱা- ড্ৰেছিং ৰুমত 'বিতৰ্ক' ৰাজহুৱাভাৱে ওলাই আহিব নালাগে বুলি দাবী কৰি ভাৰতৰ মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰে বৃহস্পতিবাৰে কয় যে তেওঁ তেওঁৰ খেলুৱৈসকলৰ সৈতে কিছু 'সৎ বাৰ্তালাপ' কৰিছে কিয়নো কেৱল প্ৰদৰ্শনহে তেওঁলোকক দলত থকাত সহায় কৰিব পাৰে। শুকুৰবাৰে ভাৰতৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াৰ পঞ্চম আৰু অন্তিমখন টেষ্ট মেচৰ পূৰ্বে এক সংবাদ মেলত মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰে কয় যে প্ৰশিক্ষক আৰু খেলুৱৈৰ মাজৰ বিতৰ্ক ড্ৰেছিং ৰুমত সীমাবদ্ধ থাকিব লাগে। সেইবোৰ কেৱল প্ৰতিবেদন, সত্য নহয় বুলি তেওঁ কয়। গম্ভীৰে লগত কয় যে যেতিয়ালৈকে ড্ৰেছিং ৰুমত সৎ মানুহ থাকিব, তেতিয়ালৈকে ভাৰতীয় ক্ৰিকেট নিৰাপদ হাতত থাকিব। ড্ৰেছিং ৰুমত ৰখা একমাত্ৰ বস্তুটোৱেই হ'ল প্ৰদৰ্শন। আন্তৰিকতাৰে কোৱা কথা আৰু সততা গুৰুত্বপূৰ্ণ। দলৰ বাবে যি লাগে আপুনি সেয়া খেলিব লাগিব। দলীয় খেলতো আপুনি আপোনাৰ স্বাভাৱিক খেল খেলিব পাৰে। কিন্তু দলটোক যদি আপোনাৰ প্ৰয়োজন হয় তেন্তে আপুনি এটা নিৰ্দিষ্ট ধৰণে খেলিব লাগিব। গম্ভীৰে লগতে কয় যে টেষ্ট মেচত জয়ী হোৱাৰ কৌশলৰ বাহিৰে জ্যেষ্ঠ বেটাৰ বিৰাট কোহলি আৰু অধিনায়ক ৰোহিত শৰ্মাৰ সৈতে কোনো কথা আলোচনা কৰা হোৱা নাছিল। তেওঁ কয়, কোনবোৰ ক্ষেত্ৰত কাম কৰিবলগীয়া আছে প্ৰতিজন ব্যক্তিয়েই জানে। তেওঁৰ সৈতে আমি মাত্ৰ এটা কথা- বতৰা পাতিছোঁ আৰু সেয়া হ'ল টেষ্ট মেচত কেনেকৈ জয়ী হ'ব পাৰি। বৰ্তমান অষ্ট্ৰেলিয়াই শৃংখলাটো ২-১ ত অগ্ৰগতি লাভ কৰি আছে।

# "এখন আত্মনিৰ্ভৰ, বিকশিত আৰু

যাত্ৰাক এক নতুন গতি দিয়া এক সফল বছৰ। পাৰ হৈ যোৱা দিনবোৰৰ বৰ্ণাঢ্য অভিজ্ঞতা, সফলতাই ২০২৫ বৰ্ষত ন উদ্যমেৰে আগুৱাই যাবলৈ আমাক উদ্বুদ্ধ কৰিছে। ২০২৪ মোৰ বাবে আছিল এক গুৰুত্বপূৰ্ণ বছৰ, কিয়নো এই সময়ছোৱাত নতুন উৎসাহ-উদ্দীপনাৰে দেশমাত্ৰ সেৱা আগবঢ়াই নিয়াৰ বাবে জনসাধাৰণৰ অফুৰন্ত মৰম-আশিস লাভ কৰিলোঁ, ন ন অভিজ্ঞতা সঞ্চয় কৰাৰো সৌভাগ্য হ'ল, যাৰ বাবে সৰ্বস্তৰৰ ৰাইজৰ ওচৰত মই চিৰকৃতজ্ঞ। ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাদেৱে গাই যোৱাৰ দৰে আমিও ন উদ্দীপনাৰে ক'ব খোজোঁ- "সময়ৰ অগ্ৰগতিৰ পক্ষীৰাজত উঠি যাওঁ মই নতুন দিগন্তলৈ হাঁহি মুখে হাঁহি মুখে"। বিগত বছৰটিত দেশৰ বিভিন্ন খণ্ডৰ সৰ্বাংগীণ উত্তৰণৰ লগতে বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা সামুদ্ৰিক খণ্ডক উন্নয়নৰ এক নতুন শিখৰত উপনীত কৰোৱাৰ বাবে আমি অহোপুৰুষাৰ্থ কৰিছোঁ। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত শীঘ্ৰেই ভাৰতক বিশ্বৰ ১০ খন আগশাৰীৰ সামুদ্ৰিক ৰাষ্ট্ৰৰ ভিতৰত অন্তৰ্ভুক্ত কৰাৰ আমি দৃঢ় পণ লৈছোঁ। ২০২৪ বৰ্ষটো ভাৰতৰ সামুদ্ৰিক খণ্ডৰ বাবে এক মাইলৰ খুঁটি। দেশৰ বৃহৎসংখ্যক আৰু সৰ্ববৃহৎ মুখ্য বন্দৰৰ আধাৰশিলা স্থাপনৰপৰা বিশ্বমুখী নতুন বাণিজ্যিক পথ মুকলি কৰালৈ, আমি বিভিন্ন গুৰুত্বপূৰ্ণ পদক্ষেপ ত্বৰান্বিত কৰিলোঁ। এখন আত্মনিৰ্ভৰ, বিকশিত আৰু সমৃদ্ধিশালী ভাৰত গঢ়াৰ বাবে নিষ্ঠাৰে আৰু ঐক্যবদ্ধভাৱে কাম কৰি যাবলৈ এই নতুন বছৰটোত আমি সকলোৰে সংকল্পবদ্ধ হওঁ আহক। এই বছৰটিয়ে আপোনালোকৰ জীৱনলৈ কঢ়িয়াই আনক অনাবিল সুখ-শান্তি, সমৃদ্ধি আৰু আশাৰ বতৰা।

# চানডুবি মহোৎসৱত মন্ত্ৰী ৰঞ্জিত দাসৰ সংবাদমেল সম্বোধন



ৰঙিলী বাৰ্তাসেৱা- চানডুবিৰ বাকৰিত অনুষ্ঠিত হোৱা চানডুবি মহোৎসৱৰ চতুৰ্থ দিনা পৰ্যটন আৰু পৰ্যটক বিভাগৰ মন্ত্ৰী ৰঞ্জিত দাসৰ সংবাদমেল আয়োজন। উক্ত সংবাদমেল সম্বোধন কৰি মন্ত্ৰী ৰঞ্জিত দাসে পৰ্যটন আৰু পৰ্যটকৰ ক্ষেত্ৰত থকা সাম্ভাব্যৰ বিভিন্ন দিশ আৰু সম্ভাৱনাৰ কথা বিশ্লেষণ কৰে। লগতে নতুনকৈ পৰ্যটন আৰু পৰ্যটক বিভাগৰ মন্ত্ৰীৰ আসনত বহা বিভাগটোৰ ক্ষেত্ৰত যথেষ্ট কৰণীয় থকা বুলি মতপোষণ কৰে। আনহাতে জলবায়ু নিয়ন্ত্ৰণ আৰু প্ৰকৃতি ধ্বংস ৰোধ কৰাৰ ক্ষেত্ৰত বিশেষভাৱে পদক্ষেপ গ্ৰহণ কৰাৰ কথা বিভাগীয় মন্ত্ৰী গৰাকীয়ে উত্থাপন কৰে, এই ক্ষেত্ৰত মন্ত্ৰী গৰাকীয়ে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে বিভিন্ন অভিলাষী আঁচনি মুকলি কৰি দিয়াৰ কথাওঁ উল্লেখ কৰে । মন্ত্ৰী ৰঞ্জিত দাসৰ সম্বোধন কৰা সংবাদমেল খনত উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাঙ্গ ঠাকুৰীয়াৰ লগতে চানডুবি পৰ্যটন আৰু পৰ্যটক বিভাগৰ অধ্যক্ষা নিলীমা খাতুন ডাঙৰীয়ানীৰ লগতে বিষয়ববীয়া সকল । চানডুবি পৰ্যটন আৰু পৰ্যটক কাৰ্যলয়ৰ অধ্যক্ষা নীলিমা খাতুনৰ তত্বাৱধানত চানডুবিৰ পৰিৱেশ পৰিস্থিতি বহুগামী উন্নয়ন হোৱাৰ কথা মন্ত্ৰী গৰাকীয়ে সদৰি কৰে। উল্লিখিত যে চানডুবিৰ ঐতিহ্য আৰু চানডুবি বিলখনৰ সুৰক্ষা ক্ষেত্ৰত ৰাইজ সজাগ সচেতন হৈ প্ৰকৃতি ধ্বংসকাৰী দুষ্কৃতিকাৰীৰ বিৰুদ্ধে মাৰবান্ধি ঠিয় হবলৈ আহ্বান জনাই উক্ত সংবাদমেল খনি সামৰণি মাৰে ।

# "২৫ জন গল্পকাৰৰ ২৫

২০২৫ ৰ সন্ধিয়া গল্প সংকলনখন ডিজিটেল মাধ্যমেৰে উন্মোচন কৰে অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি তথা ৰাইজৰ খবৰ কাকতৰ মুখ্য সম্পাদক জিতু শৰ্মা ৰাজখোৱাই। দেশৰ বিভিন্ন ঠাইৰ পৰা গল্পকাৰ সকলৰ লগতে সাহিত্যনুৰাগী ব্যক্তিয়ে ডিজিটেল মাধ্যমেৰে সংযোগ স্থাপন কৰি নিজৰ নিজৰ বক্তব্য আগবঢ়ায়। ২০২৫ চনৰ প্ৰথম সন্ধিয়া এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান পৰিচালনা কৰে উত্তৰ লখিমপুৰৰ জনপ্ৰিয় কবি - গল্পকাৰ পংকজ সভাপণ্ডিতে। উপস্থিত সাহিত্যনুৰাগী ব্যক্তি সকলে সুলেখিকা মৃদুস্মিতা শৰ্মাৰ যোগাত্মক চিন্তাৰ বাবে ভূয়সী প্ৰশংসা কৰে। ডিজিটেল মাধ্যমেৰে সংযোগ স্থাপন কৰি গল্প সংকলনখনৰ লগতে লেখকৰ মনৰ কথা ব্যক্ত কৰে ক্ৰমে ত্ৰিদ্বীপ বৰুৱা, নিৰ্মিতা বৰগোহাঁই পংকজ সভাপণ্ডিত, মৃদুস্মিতা শৰ্মা, আঞ্জু মাৰা বেগম, জ্যোতিকা ক্ষিৰা শইকীয়া, কল্পনা দেৱী, হিৰণ ভূঞা, পাৰিজাত বৰুৱা, চন্দ্ৰকান্ত বৰা, মিনু ডেকা, মনালিছা শইকীয়াৰ লগতে আন বহুকেইগৰাকী লেখকে। শলাগৰ শৰাই আগবঢ়ায় পংকজ সভাপণ্ডিতে ।

# শীঘ্ৰে মাধ্যমিক শিক্ষাৰ ঠিকাভিত্তিক

আনহাতে শিক্ষামন্ত্ৰীগৰাকীয়ে শিক্ষা বিভাগ তথা সমগ্ৰ শিক্ষা অভিযানৰ দ্বাৰা বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত লোৱা পৰিৱৰ্তনমুখী প্ৰচেষ্টা আৰু বিভিন্ন আঁচনি-কাৰ্যকলাপৰ উল্লেখেৰে প্ৰকাশ কৰা "Leaping Ahead: Transforming Education, Transforming Assam" গ্ৰন্থখন উন্মোচন কৰে। এই অনুষ্ঠানতে ভাষণ দি শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে শিক্ষকসকলৰ পৰিয়ালৰ ওচৰত চৰকাৰ সদায়ে থিয় হৈ আছে। মৃত ঠিকাভিত্তিক শিক্ষকৰ পৰিয়ালক প্ৰতি মুহূৰ্ততে বিভাগে খা-খবৰ লৈ থাকিব। কিয়নো এই শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অৱদানৰ বাবেই ৰাজ্যৰ শিক্ষা বিভাগে এক বিশেষ স্থান আগুৱাবলৈ সক্ষম হৈছে। আনহাতে ডায়েটৰ নিযুক্তি প্ৰদান কৰা নৱনিযুক্ত প্ৰৱক্তাসকলক শিক্ষামন্ত্ৰীগৰাকীয়ে শুভেচ্ছা জনাই নতুন শিক্ষানীতি সাৰ্থক ৰূপায়ণেৰে শিক্ষাৰ মান উন্নতকৰণৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। শিক্ষামন্ত্ৰীগৰাকীয়ে কয়-শিক্ষাৰ দ্বাৰা দেশৰ নাগৰিক নিৰ্মাণ কৰা হয় আৰু এই গুৰুদায়িত্ব থাকে শিক্ষাগুৰুসকলৰ হাতত। গতিকে শিক্ষকসকলক সঠিক মাৰ্গদৰ্শনেৰে দীক্ষিত কৰাৰ ক্ষেত্ৰত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ যি দায়িত্ব সেয়া নতুন প্ৰৱক্তাসকলে আন্তৰিকতাৰে পালন কৰিব লাগিব। শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে কয় যে এতিয়ালৈকে এক লাখৰো অধিক শিক্ষকক নিপুণ অসম আঁচনিৰ অধীনত এফএলএন প্ৰশিক্ষণৰ জৰিয়তে বুনিয়াদী শিক্ষাৰ সামগ্ৰিক মান উন্নয়নৰ প্ৰচেষ্টা চলাই গৈ থকা হৈছে। এই অনুষ্ঠানতে শিক্ষামন্ত্ৰীগৰাকীয়ে অহা ৬ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব লগা প্ৰথম পৰ্যায়ৰ গুণোৎসৱত সকলো বিষয়া-কৰ্মচাৰীৰ সহযোগিতা কামনা কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে বিগত বৰ্ষৰ গুণোৎসৱৰ ফলাফলৰ ভিত্তিত ৰাজ্য চৰকাৰে ইতিমধ্যে শিক্ষা বিভাগৰ দ্বাৰা ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহ পুনৰ নিৰ্মাণৰ বাবে ৬ হাজাৰ কোটি টকাৰ এক বৃহৎ ধনৰাশি ধাৰ্য কৰি বিদ্যালয়সমূহৰ আন্তঃগাঁথনি আৰু শৈক্ষিক মান উন্নত কৰিবলৈ সক্ষম হৈছে। এই অনুষ্ঠানত সমগ্ৰ শিক্ষা মিছন সঞ্চালক ড° ওম প্ৰকাশ, শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ, মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাই, এছচিইআৰটিৰ সঞ্চালিকা ড° নিৰোদা দেৱী উপস্থিত থাকে।

# কলেজ শিক্ষক সংস্থাক গুণোৎসৱ

কলেজ শিক্ষক সন্থাৰ সাধাৰণ সম্পাদক পৰাগজ্যোতি মহন্তই কয় যে শিক্ষামন্ত্ৰীৰ সৈতে হোৱা বৈঠক ফলপ্ৰসু হ'লেও আধৰুৱা হৈ ৰৈছে। এই বিষয়ত পুনৰ আলোচনাৰ প্ৰয়োজন আছে। কিন্তু গুণোৎসৱ বৰ্জনৰ সিদ্ধান্তত বৰ্তমানো অটল আছে কলেজ শিক্ষক সন্থা। অৱশ্যে বিষয়টো সন্দৰ্ভত কলেজ শিক্ষক সন্থাৰ বৰ্ধিত যৌথ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। এই সভাতে গুণোৎসৱ বৰ্জন কৰা-নকৰাক লৈ চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। কলেজ শিক্ষক সন্থাৰ সৈতে হোৱা শিক্ষামন্ত্ৰীৰ বৈঠকত অৱশ্যে গুণোৎসৱক লৈ কোনোধৰণৰ আলোচনা হোৱা নাই বুলি স্পষ্ট কৰিছিল শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। শিক্ষামন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত স্পষ্ট কৰে যে কেৱল গুণোৎসৱত শিক্ষক সন্থাৰ সহায়-সহযোগিতাহে কামনা কৰা হৈছিল। কলেজ শিক্ষক সন্থাই বিষয়টো উত্থাপন কৰিছিল যদিও শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সন্থাক এইবুলি পতিয়ন নিয়াবলৈ চেষ্টা কৰে যে ৬ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব লগা গুণোৎসৱত অকল শিক্ষক সমাজেই নহয়, ৰাজ্যৰ প্ৰশাসনিক ক্ষেত্ৰৰ সকলো বিষয়ববীয়া আনকি মুখ্য সচিবেও অংশগ্ৰহণ কৰিব। সেয়েহে কলেজ শিক্ষক সন্থাই গুণোৎসৱ যাতে বৰ্জন নকৰে।

# অসমৰ প্ৰতিখন বিশ্ববিদ্যালয়ত

অসম প্ৰদেশৰ সাংগঠনিক সম্পাদক অনুপ কুমাৰ, সহঃ সাংগঠনিক সম্পাদক সীমান্ত কুমাৰ বৈশ্য, তুষাৰ ভৌমিক উপস্থিত থাকে। অসমৰ ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ তথা ইয়াৰ অন্তৰ্ভুক্ত মহাবিদ্যালয় সমূহৰ পৃথকে পৃথকে শৈক্ষিক দিনপঞ্জী হোৱাৰ বাবে অসমৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সময়ত ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তথা বিদেশৰ বহু বিশ্ববিদ্যালয়ত নামভৰ্তি আদিৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈ আহিছে। তদুপৰি নিৰ্দিষ্ট সময়তকৈ পলমকৈ পৰীক্ষাৰ ফলাফল ঘোষণা হ'লে ছাত্ৰ-ছাত্ৰীসকলে নিযুক্তৰ সুবিধাৰ পৰা বঞ্চিত হোৱা দেখা পোৱা যায়। গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, অসম বিশ্ববিদ্যালয়, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ দৰে অসমৰ প্ৰায় সকলো বিশ্ববিদ্যালয়ৰ পৃথক পৃথক শৈক্ষিক দিনপঞ্জী থকাৰ বাবে সকলো বিশ্ববিদ্যালয়ে ভিন ভিন সময়ত পৰীক্ষা অনুষ্ঠিত কৰে, ফলাফল ঘোষণা কৰে। পৰীক্ষা আৰু ফলাফলৰ নিচিনাকৈ ছাত্ৰ একতা সভাৰ নিৰ্বাচন বেলেগ বেলেগ সময়ত অনুষ্ঠিত কৰা হয়। সমগ্ৰ অসমত এক সুস্থ শৈক্ষিক পৰিৱেশ সূচনা কৰিবলৈ অসমৰ সকলো মহাবিদ্যালয়, ৰাজ্যিক বিশ্ববিদ্যালয়ত এখনেই শৈক্ষিক দিনপঞ্জী প্ৰযোজ্য হোৱাটো আৱশ্যক আৰু এই দিনপঞ্জীখনত শৈক্ষিক ভ্ৰমণৰ বাবেও সুবিধা দিয়া হওঁক। সমগ্ৰ অসমত এখন সাধাৰণ দিনপঞ্জী প্ৰস্তুত কৰি উলিয়াবলৈ অসমৰ মাননীয় ৰাজ্যপালৰ পৌৰহিত্যত এখন উচ্চ ক্ষমতা সম্পন্ন কমিতি গঠন কৰা হওঁক, য'ত অসমৰ মাননীয় শিক্ষা মন্ত্ৰী, শিক্ষা আয়ুক্ত, বিশিষ্ট শিক্ষাবিদ সমন্বিতে সকলো বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিৰ অপেক্ষিত হওঁক। এই সাধাৰণ শৈক্ষিক দিনপঞ্জীখন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত প্ৰয়োগ কৰাৰ দায়িত্ব এই সমিতি খনেই গ্ৰহণ কৰক।

# প্ৰণয় বৰদলৈৰ গ্ৰন্থ 'হিমালয়ৰ

প্ৰকাশ কৰা 'উত্তুংগ যোগীন' শীৰ্ষক গ্ৰন্থখনৰ পৰিবৰ্ধিত আৰু সম্পাদিত সংস্কৰণ হৈছে 'হিমালয়ৰ দুৰ্জেয় শিখৰত' গ্ৰন্থখন। এই গ্ৰন্থখন প্ৰকাশ কৰিছে আগশাৰীৰ প্ৰকাশন গোষ্ঠী সাৰথি প্ৰকাশনে। গুৱাহাটী প্ৰেছ ক্লাবত সোমবাৰে আয়োজিত এক অনুষ্ঠানত এই গ্ৰন্থখন উন্মোচন কৰা হয়। অনুষ্ঠানত অংশ লৈ বিশিষ্ট সাহিত্যিক-সাংবাদিক মনোজ কুমাৰ গোস্বামী, সাহিত্যিক-সাংবাদিক অনুৰাধা শৰ্মা পূজাৰী, অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰ, বিশিষ্ট চিন্তাবিদ-মননশীল লিখক ময়ূৰ বৰা, টিভি চেনেলৰ বিশিষ্ট সম্পাদকদ্বয় নিতুমণি শইকীয়া আৰু পৰাগমণি আদিত্যই অচিনাক চিনিবলৈ অজনাক জানিবলৈ মানৱ মনৰ দুৰাকাংক্ষাৰ কথা উল্লেখ কৰে। ভাষণ প্ৰসংগত তেওঁলোকে চৰিত্ৰ গঠনত সহায়ক এনে দুঃসাহসিক ক্ৰীড়াত সক্ৰিয়ভাৱে ব্ৰতী হ'বলনুৱৈ সমাজক আহ্বান জনায়। অনুষ্ঠানত বক্তাসকলে অসমত পৰ্বত আৰোহনৰ দৰে দুঃসাহসিক ক্ৰীড়া জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত প্ৰণয় বৰদলৈৰ ভূমিকাৰ শলাগ লয়। এই অনুষ্ঠান বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰে অসমৰ ৩ গৰাকী এভাৰেষ্ট আৰোহনকাৰী পৰ্বতাৰোহী তৰুণ শইকীয়া, মনীষ ডেকা, নন্দ দুলাল দাসে। অনুষ্ঠানত এক্সপ্ল'ৰাৰ্ছৰ যোগীন অভিযানত প্ৰণয় বৰদলৈৰ সৈতে অংশ লোৱা অভিযাত্ৰী দলটোক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। একেটা অনুষ্ঠানতে আন কেইবাগৰাকী অসমৰ সফল পৰ্বতাৰোহী অৰ্চনা ভট্টাচাৰ্য, ৰাজেন্দ্ৰ প্ৰসাদ গৌতম, মানস বৰুৱা, অনুপম নাথ, সবিতা হাজৰিকা আদিক সম্বৰ্ধনা জনোৱা হয়।

# মুম্বাইত টাটা গ্ৰুপৰে

ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ সচিব ড° লক্ষ্মনম এছ। উল্লেখ্য যে অসম চৰকাৰে আগন্তুক 'এডভান্টেজ আছাম ২.০' শীৰ্ষক আন্তঃগাঁথনি আৰু বিনিয়োগ সন্মিলন সন্দৰ্ভত এফ আই চি চি আইৰ সহযোগত অহা ৬ জানুৱাৰীত মুম্বাইত এক ৰোড শ্ব'ৰ আয়োজন কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অনুষ্ঠিত হ'বলগীয়া এই ৰোড শ্ব'ত ২০২৪ বিত্তীয় বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯.১ শতাংশ বৃদ্ধিকে ধৰি অসমৰ অৰ্থনৈতিক বিকাশ তথা বিনিয়োগ আৰু আন্তঃগাঁথনি উন্নয়নৰ উজ্জ্বল ছবিখন দাঙি ধৰা হ'ব। আগন্তুক 'এডভান্টেজ আছাম ২.০' শীৰ্ষক সন্মিলন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ভাৰতৰ অৰ্থনৈতিক বিকাশত অসমে এক গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ সাজু হৈছে। অনুকূল ব্যৱসায়িক পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰত ৰাজ্যখনৰ নিৰন্তৰ প্ৰচেষ্টা আৰু উদীয়মান খণ্ডসমূহৰ ওপৰত ৰাজ্যখনৰ কৌশলগত মনোনিৱেশে ফল দিবলৈ ধৰিছে। তেওঁ কয় যে ভাৰতত বিনিয়োগ আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে অসমৰ এক আগশাৰীৰ গন্তব্যস্থান হিচাপে উত্থান ঘটিছে।

# ৫৬খন এচি ইলেক্ট্ৰিক

ৰাজহুৱা পৰিবহণ ব্যৱস্থাত ৰাজ্যত চলি থকা ইলেক্ট্ৰিক বাছসমূহৰ লগতে নতুনকৈ আৰম্ভ কৰা ইলেক্ট্ৰিক বাছ সেৱাই স্বচ্ছ, সেউজ আৰু বহনক্ষম ভৱিষ্যতৰ দিশত ৰাজ্যখন সবলভাৱে আগুৱাই নিবলৈ সক্ষম হ'ব। লগতে তেওঁ কয় যে আহিবলগীয়া দিনবোৰত গুৱাহাটীৰ কেতবোৰ গুৰুত্বপূৰ্ণ পথত কেৱল ইলেক্ট্ৰিক বাছ আৰু চিএনজি বাছহে চলিব আৰু এই পথসমূহ সম্পূৰ্ণৰূপে 'সেউজ পথ' হিচাপে গঢ় লৈ উঠিব। ইয়াৰ লগতে উত্তৰ-পূবৰ কেইবাখনো ৰাজ্যৰ বাছযাত্ৰীসকলৰ এক দীৰ্ঘদিনীয়া প্ৰয়োজন পূৰণ কৰি খানাপাৰাত নতুনকৈ নিৰ্মাণ কৰা আন্তঃৰাজ্যিক বাছ টাৰ্মিনেলো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে।

# চাৰিটা সোণৰ পদক

একক শাখাত বিতু দাসে সোন আৰু ছোৱালীক একক শাখাত সুৰঞ্জনা বৰুৱাই ব্ৰঞ্জৰ পদক দখল কৰে। অসমে মুঠ চাৰিটা সোনৰ পদক লৈ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দল ৰূপে অভিহিত হয়। অসমৰ দলটোৰ মেনেজাৰ হিচাপে আছিল মৃদুল বৰা, প্ৰশিক্ষকদ্বয় আছিল ৰূপটো গগৈ আৰু অনুপ চৌধুৰী। প্ৰতিযোগিতা খনত খেল পৰিচালনা কৰাৰ বাবে অসমৰ পৰা ৰাষ্ট্ৰীয় ৰেফাৰী হিচাপে আছিল নিপুল ডেকা আৰু অংশুমান দত্ত।

# মহানগৰীৰ জলবিস্ফোৰণ

প্ৰশ্ন কৰে যে হাজাৰ হাজাৰ কোটি টকাৰ ঋণ লোৱা চৰকাৰে উন্নয়নমূলক আঁচনি ৰূপায়ন কৰাৰ নামত ব্যাপক দুৰ্নীতি সংঘটিত কৰিছে। ফলত গুৱাহাটীৰ পানী যোগান আঁচনি ৰূপায়নৰ ক্ষেত্ৰত এনে পৰিস্থিতিৰ সৃষ্টি হৈছে। এহাতে হাজাৰ হাজাৰ লিটাৰ পানী অপচয় হৈছে, আনহাতে বহু নাগৰিকে খোৱা পানীৰ পৰা বঞ্চিত হৈছে। আমি আম আদমী পাৰ্টিয়ে বাৰে বাৰে এনে জলবিস্ফোৰণ সংঘটিত হোৱাৰ কাৰণ উদ্ঘাটন কৰি দোষীক শাস্তি প্ৰদানৰ দাবী জনাইছো। কিয়নো পূৰ্বে জাইকাৰ পাইপ ফুটি এগৰাকী মহিলাৰ মৃত্যু হৈছিল। এইবাৰ আকৌ তেনে বিভীষিকাৰ সৃষ্টি হৈছে। জাইকাৰ নিম্ন মানৰ কামৰ বিৰুদ্ধেও চৰকাৰক তদন্তৰ নিৰ্দেশ দিবলৈ আমি দাবী জনাইছোঁ। এইদৰে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে ।

# পশ্চিম বংগৰ পৰা

আৰক্ষী থানাও ঘেৰাও কৰিছিল। তাৰ মাজতেই ২৯ ডিচেম্বৰত আৰক্ষীয়ে ধৰ্মেন্দ্ৰৰ সন্ধানহীনৰ বিষয়টোৰ সৈতে জড়িত থকাৰ অভিযোগত ঢেকীয়াজুলীৰ পৰা দুজন যুৱকক আটক কৰিছিল। তাৰ পাছতেই সোমবাৰে ধৰ্মেন্দ্ৰ নাথৰ মৃতদেহ বান্ধি থোৱা অৱস্থাত এটা পুখুৰীত উদ্ধাৰ হয়। তাৰ পাছতে সমগ্ৰ অঞ্চলটোত সৃষ্টি হয় চাঞ্চল্য। ইয়াৰ পাছতে তেওঁৰ হত্যাৰ সৈতে জড়িত থকাৰ অভিযোগত এই কেইজন লোকক আটক কৰা হৈছে। এই ঘটনাৰ বাবে সোমবাৰে ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক অজয় বৰ্মনক শাস্তিমূলক বদলি কৰা হৈছে। হাজো থানালৈ বদলি কৰা হয় OC অজয় বৰ্মনক। ৰাজ্য কঁপোৱা ধৰ্মেন্দ্ৰ নাথ কাণ্ডৰ তদন্তত গাফিলতি কৰাৰ বাবে বদলি অজয় বৰ্মনক। ধৰ্মেন্দ্ৰ নাথৰ পৰিয়ালৰ গোচৰ লোৱা নাছিল ৰঙিয়া থানাৰ আৰক্ষীয়ে।

## ENGLISH NEWS SECTION

# Governor attends programme for flagging off three train services, inauguration of a road overbridge, NIELIT University, and FM Station

Guwahati, RB News-Assam Governor Shri Lakshman Prasad Acharya attended a programme featuring flagging off three train services, and inauguration of road overbridge, NIELIT University, and FM Station at Guwahati Railway station. The event was flagged off by Union Minister of Railways, Information & Broadcasting and Electronics Ashwini Vaishnaw, in the presence of Chief Minister Dr. Himanta Biswas Sarma and Union Minister of State for External Affairs Pabitra Margherita. The three trains flagged off today include the Guwahati-New Lakhimpur Janshatabdi Express, New Bongaigaon–Guwahati Passenger Train, and Tinsukia–Naharlagun Express. The Tetelia ROB (Road Over Bridge) at Dispur, Guwahati, was also dedicated to the public. In addition to these initiatives, the Union Minister virtually inaugurated the 10 KW FM Transmitter at Akashvani Kokrajhar and the NIELIT (National Institute of Electronics & Information Technology) Deemed to be University from the Railway Station.




## Governor visits temple on New Year Day



Guwahati,RB News- Beginning the new year on an auspicious note, Assam Governor Shri Lakshman Prasad Acharya, accompanied by First Lady of Assam, Smt. Kumud Devi, visited the Hanuman temple and Shiv temple at Uzanbazar here. During his visit, the Governor offered his prayers and sought blessings for the welfare and prosperity of all sections of society. He also expressed his desire for the new year to bring happiness and prosperity to all. The Governor's visit to the temples on New Year's Day is a testament to the significance of spiritual values, which according to him would reinforce the importance of faith and unity in the diverse society.

## Former Meghalaya Governor meets Assam Governor



Guwahati,RB News- Former Governor of Meghalaya, Shri Ranjit Shekhar Mooshahary, met Assam Governor Shri Lakshman Prasad Acharya at Raj Bhavan here. Both Shri Mooshahary and Shri Acharya exchanged best wishes on the occasion of New Year 2025. During the meeting, Shri Mooshahary presented the Governor with a thought-provoking book, "Rediscovering History of Assam, " authored by him. Assam Governor thanked Shri Mooshahary for the book and said that the book would help everyone in getting in depth of Assam history.

## Manu Bhaker, D Gukesh among 4 sportspersons to get Khel Ratna Awards



RB News- Union Sports Ministry on Thursday said four people, including Olympic double medal-winning shooter Manu Bhaker, will receive Major Dhyan Chand Khel Ratna Awards 2024. Chess World Champion D Gukesh, hockey team Captain Harmanpreet Singh and Paralympic gold medallist Praveen Kumar will also be awarded the honours. Notably, Bhaker's name was earlier left out of the list of Khel Ratna nominees.

## India lose BGT after 10 years as Australia reach WTC final



RB News- Australia defeated India by six wickets on Day 3 of the Sydney Test on Sunday to clinch the five-match series 3-1. Australia have won the Border-Gavaskar Trophy (BGT) after 10 years and have reached the final of World Test Championship (WTC) 2023-25. Australia will face South Africa in the WTC final at Lord's in June.

## Rishabh Pant hits second fastest Test fifty for India at SCG



RB News- Rishabh Pant smashed the fastest Test half-century on Australian soil by a visiting batter during the ongoing fifth Test of the Border-Gavaskar Trophy series at Sydney Cricket Ground on Saturday. Pant reached his fifty in just 29 balls, hitting a six off Mitchell Starc. This surpassed the previous record of 33 balls held by England's John Brown (Melbourne 1895) and West Indies' Roy Fredericks (Perth 1975). It also marked the second-fastest half-century by an Indian batter in Test cricket.The fastest half-century record by an Indian batter in a Test match also belongs to Pant which he attained in 28-ball against Sri Lanka in Bengaluru in 2022.

# ছবি চাই ভালপোৱা মানুহ

আছিল মানুহে ঢুকি পোৱাৰ পৰা বহু ওখ দেৱালত অঁকা। অৰ্থাৎ, মানুহে এই ছবিবোৰ আঁকিবলৈ কিহবাত উঠি থিয় হ'ব লগীয়া হৈছিল বা বগুৱা বাই যাব লগীয়া হৈছিল। জেকব ব্ৰনাউস্কি (Jacob Bronowski)য়ে তেওঁৰ বিখ্যাত The Ascent of Man গ্ৰন্থত (যিখন বিবিচিৰ দ্বাৰা ছিৰিয়েল ৰূপে প্ৰচাৰিতও হৈছিল) কৈছে যে এই গুহা চিত্ৰবোৰত আমি মানৱ মনৰ এক বিশেষ শক্তিক প্ৰথমবাৰলৈ দেখা পাওঁ। এই শক্তি হ'লঃ The Power of AnticipationÊ. The Forward- Looking Imagination. In these paintings, the hunter was made familiar with dangers which he knew he had to face but to which he had not yet come. বহুতৰ মতে এই ছবিবোৰ আকৌ সেই মানুহখিনিৰ মাজত থকা কিশোৰবোৰে আঁকিছিল।

ভাবি ভাল লাগে যে তাহানিৰ সেই আদিম মানুহৰ মনৰ প্ৰকাশিকা শক্তি একবিংশ শতিকাৰ আজিৰ দিনটোৰ লৈকে সমানে প্ৰবাহিত হৈ আছে। আপুনি -মই ব্যৱহাৰ কৰা দৈনন্দিন জীৱনৰ প্ৰতিটো বস্তু, যেনে টুথপেষ্ট, চাবোনৰ টুকুৰা, দাঁত মজা ব্ৰাছডাল, ল'ৰা-ছোৱালীৰ বাবে কিনি অহা বহী, আপুনি অটোমটোকাৰীকে সজা ঘৰখন, আপোনাৰ কৰ্মস্থলী, আপোনাৰ উপাৰ্জনৰ বাবে পাতি লোৱা দোকানখন, বিভিন্ন ধৰ্মীয় উৎসৱ, পূজা - পাতল, নামাজ, ঈদ, খ্ৰীষ্টমাছ, নতুন বছৰত পিন্ধা কাপোৰ কানি, আমাৰ গামোচা, চোতালত ৰোৱা তুলসীডাল, আমি থকা ঘৰটোত দিয়া ৰঙ - সেই হাজাৰ হাজাৰ পুৰণি মানুহৰ মনটোৰ শিল্প সম্পৰ্কীয় কল্পনাৰ সৈতে জড়িত। এই সকলোবোৰৰ উৎস শচপ্সজ্জনন্ধন্ঙ্গ মানুহৰ শিল্পকেন্দ্ৰিক মনটোৰ সৈতে বিচাৰি পাব পাৰি। এই প্ৰাচীন মনটো ইমানেই শক্তিশালী আছিল যে সৌ সিদিনাৰ কুৰি শতিকাৰ সবাতোকৈ অধিক জনাজাত শিল্পী পাব্লো পিকাচোৱে আধুনিক পৃথিৱীৰ বাবে প্ৰয়োজনীয় বাকধাৰাক ইয়াৰ মাজতে বিচাৰি পাইছিল।

আমি চৌদিশে দেখা পোৱা আধুনিক শিল্পৰ আঁৰত তিনিজন মানুহৰ শিল্প চেতনা বিশেষভাৱে জড়িত হৈ আছে। এই তিনিজনা হ'ল পল চেজান, ভেন গঘ আৰু এডভাৰ্ড মুনঞ্চখ। তেওঁলোক প্ৰত্যেকেই আমাৰ উৎকণ্ঠা, হতাশা, আমাৰ আবেগৰ তীব্ৰতা, আমাৰ মনৰ ভিতৰৰ নিজান চেঁচা বাটেদি আগুৱাই গ'লে পোৱা অভিজ্ঞতাবোৰ সযতনে ধৰি ৰাখিছে।

আগলৈ....




অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286